# ৰোমীয়াবিলাকৰ প্ৰতি পত্ৰ

১ ১ঈশ্বৰৰ মনোনীত আৰু যীচুৰ দাস পৌলৰ সম্ভাষণ
গ্ৰহন কৰিব। ঈশ্বৰে মোক পাঁচনি হিচাপে মনোনীত
কৰিলে আৰু তেওঁৰ শুভৱাৰ্তা প্ৰচাৰৰ কাৰ্য্য মোত অৰ্পণ
কৰিলে।
২ঈশ্বৰে অতীততেই তেওঁৰ লোকসমূহক এই শুভৰ্বাতা
দিবলৈ পবিত্ৰ শাস্ত্ৰত তেওঁৰ ভাৱবাদী সকলৰ দ্বাৰাই প্ৰতিজ্ঞা
কৰিছিল। ৩ঈশ্বৰৰ পুত্ৰ আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ বিষয়েই হল
এই শুভৱাৰ্তা। মানৱৰূপে যি জন দায়ূদৰ বংশত জন্মিছিল;
৪কিন্তু যেতিয়া ঈশ্বৰে তেওঁক পবিত্ৰ আত্মাৰ দ্বাৰা মৃত্যুৰ
পৰা তুলিলে তেতিয়াই তেওঁ শক্তিশালী বুলি নিৰূপিত হ'ল,
সেই যীচু মচিহ আমাৰ প্ৰভু।
৫তেওঁৰ যোগেদি ঈশ্বৰে মোলৈ তেওঁৰ দয়া দেখুৱালে।
তেওঁ মোক অধিকাৰ দিলে যেন সকলোজাতিৰ
লোকসমূহক তেওঁত বিশ্বাস বাধ্যতাৰ বাটত লৈ যাওঁ। এই
সকলো কাম কেৱল তেওঁৰ কাৰণে হয়। ৬আৰু ঈশ্বৰৰ
মনোনিত লোকসমূহৰ মাজৰ তোমালোকো যাক ঈশ্বৰে
ৰজা যীচু খ্ৰীষ্টৰ অৰ্থে মনোনিত কৰিলে৷
৭ৰোমত বাস কৰা তোমালোক সকলোৰে উদেশ্যে এই
প্ৰত্ৰ লিখিছো। ঈশ্বৰে তোমালোকক প্ৰেম কৰে আৰু তেওঁৰ
পবিত্ৰ লোক হবলৈ তোমালোকক মনোনিত কৰিছে।
মোৰ তোমালোক সকলোৰে প্ৰতি এই প্ৰাৰ্থনা যেন
আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ আৰু শান্তি
তোমালোকলৈ হওক।

### ধন্যবাদৰ প্ৰাৰ্থনা

৮প্ৰথমে মই তোমালোক সকলোৰে বাবে যীচু খ্ৰীষ্টৰ
যোগেদি আমাৰ ঈশ্বৰক ধন্যবাদ জনাইছো৷ মই ঈশ্বৰক
ধন্যবাদ জনাওঁ কিয়নো তেওঁৰ প্ৰতি তোমালোকৰ যি মহৎ
বিশ্বাস ই জগতৰ সকলোতে বিয়পি পৰিল৷ ৯প্ৰতিবাৰেই
মোৰ প্ৰাৰ্থনাৰ সময়ত মই তোমালোকক সোঁৱৰণ কৰো৷
ঈশ্বৰে জানে যে এই কথা সত্য৷ তেওঁৰেই একমাত্ৰ যাক মই
সম্পূৰ্ণ হৃদয়ৰে পৰিচাৰ্য্য কৰো আৰু এই পৰিচাৰ্য্য তেওঁৰ
পুত্ৰৰ বিষয়ে যি শুভৱাৰ্তা, তাক লোকসমূহৰ আগত প্ৰচাৰ
কৰাৰ যোগেদি কৰো। ১০মই প্ৰাৰ্থনাত আছো যেন ঈশ্বৰে
ইচ্ছা কৰি মোক তোমালোকৰ ওচৰলৈ যাবলৈ এক বাট
মুকলি কৰি দিয়ে। ১১মই তোমালোকক চাবৰ বাবে বৰ
উৎসুক আৰু তোমালোকক বিশ্বাসত বলৱান কৰি তোলাৰ
বাবে মই কিছুমান আত্মিক বৰ দিবলৈ ইচ্ছুক৷ ১২মোৰ
কবলৈ ইচ্ছা এই যে যেতিয়া মই তোমালোকৰ মাজত
উপস্থিত থাকিম, তেতিয়া তোমালোকৰ বিশ্বাসে মোক
সহায় কৰিব, আৰু মোৰ বিশ্বাসে তোমালকক সহায় কৰিব।
১৩ভাই আৰু ভনী সকল, তোমালোকে জনাটো ভাল
যে মই বহুবাৰ তোমালোকৰ ওচৰলৈ আহিবৰ বাবে চেষ্টা
কৰিছিলো, কিন্তু প্ৰতি বাৰেই বাধা পোৱাত মোৰ পৰিকল্পনা
সলনি কৰিবলগীয়া হল৷ মই যি দৰে আন আন অযিহুদী
লোকসমূহৰ মাজত কৰা কাৰ্য্যৰ যোগেদি সুফল পাইছিলো
সেই একেই ফল তোমালোকৰ মাজতো চাবলৈ ইচ্ছা
কৰিছো।
১৪তেওঁ বিলাক সভ্য হওঁক বা নহওঁক, জ্ঞানী হওঁক
বা নহওঁক মই নিশ্চয়কৈ সকলোৰে সেৱা কৰিম। ১৫এই
কাৰণেই ৰোমত তোমালোকৰ ওচৰত শুভৱাৰ্তা প্ৰচাৰ
কৰিবৰ বাবে মই ইমান আগ্ৰহী৷
১৬শুভবাৰ্তা প্ৰচাৰ কৰাত মই লাজ নাপাওঁ। কিয়নো
শুভৱাৰ্তা হল সেই শক্তি, যি শক্তিৰ দ্বাৰাই ঈশ্বৰে তেওঁত
বিশ্বাসকৰা প্ৰতিজনক উদ্ধাৰ কৰে; প্ৰথমে যিহুদী তাৰ
পাছত সেই সকলোকে যি সকল যিহুদী নহয়। ১৭হয়,
শুভবাৰ্তাই আমাক দেখুৱাই, যে ঈশ্বৰৰ ধাৰ্ম্মিকতা বিশ্বাসৰ
পৰা বিশ্বাসলৈ প্ৰকাশিত হয়। আদিৰ পৰা আন্তলৈকে
বিশ্বাসৰ দ্বাৰাই সেই ধাৰ্ম্মিকতা থাকিব, যেনেকৈ শাস্ত্ৰত
লিখা আছে, "যি জন ব্যক্তি ঈশ্বৰৰ দৃষ্টিত ধাৰ্ম্মিক তেওঁ
বিশ্বাসৰ দ্বাৰাই জীৱ।"

### সকলোৰে পাপ কৰিলে

১৮সেই বাবে এতিয়া মানুহে কৰা সকলো মন্দ কাৰ্য্যৰ
বিৰুদ্ধে ঈশ্বৰে নিজৰ ক্ৰোধৰ বিচাৰ স্বৰ্গৰ পৰা প্ৰকাশ
কৰিছে৷ মানুহে তেওঁৰ প্ৰতি কোনো সন্মান নেদেখুৱাই
আৰু একো কৰ্ম নকৰি কেৱল ইজনে সিজনৰ প্ৰতি অনিষ্ট
কৰে। নিজ অধৰ্ম কাৰ্য্যৰ দ্বাৰাই তেওঁলোকে ঈশ্বৰৰ
সত্যক লোকসমূহৰ চকুৰ পৰা অতৰাই ৰাখে। ১৯সেই
মানুহ বিলাক ঈশ্বৰৰ বিচাৰৰ যোগ্য কিয়নো তেওঁৰ বিষয়ে
যিমানখিনি জনা সম্ভৱ তাক তেওঁ লোকে জানে হয়, ঈশ্বৰে
তেওঁবিলাকলৈ এই কথা স্পষ্ট কৰিলে।
২০ঈশ্বৰ সম্পৰ্কে এনে এনে বিষয় আছে যি মানুহৰ দৃষ্টিত
অদৃশ্য- যেনেকৈ তেওঁৰ অনন্ত শক্তি আৰু সেই সকলো
বিষয়, যাৰ কাৰণে তেওঁক ঈশ্বৰ বোল হয়। জগত সৃষ্টিৰ
আৰম্ভনিৰে পৰা, ঈশ্বৰৰ বিভিন্ন কৰ্ম্ম তেওঁ সকলোৰে আগত
প্ৰকাশ কৰিছে৷ যাতে মানুহ বিলাকে ঈশ্বৰৰ সৃষ্টি চাই ঈশ্বৰ
কেনে তাক বুজি পায়। সেয়ে মানুহে যি মন্দ কৰ্ম্ম কৰিছে
তাৰ উত্তৰ দিবৰ বাট তেওঁবিলাকৰ নাই৷
২১লোকসমূহে ঈশ্বৰক জানিও তেওঁলোকে ঈশ্বৰক
সন্মান নকৰিলে আৰু তেওঁক ধন্যবাদো নিদিলে৷ ইয়াৰ
বিপৰীতে আৰাধনাৰ প্ৰতি তেওঁলোকৰ চিন্তাধাৰা অসাৰ হৈ

গৈছে। আৰু তেওঁলোকৰ নিৰ্বোধ মন আন্ধকাৰেৰে পৰিপূৰ্ণ হ'ল। ২২তেওঁলোকে পৰস্পৰে জ্ঞানী বুলি পৰিচয় দিলেও তেওঁলোক মূৰ্খ হল। ২৩তেওঁলোকে ঈশ্বৰৰ মহানতাবোৰক সন্মান কৰাৰ পৰিবৰ্তে, মানুহৰ সাদৃশ্য বস্তু, যি ক্ষয়ৰ পাত্ৰ, বা চৰাইৰ দৰে পশু আৰু সৰীসৃপ আকাৰৰ মূৰ্ত্তিহে উপাসনা কৰিলে।

২৪সেই বাবে ঈশ্বৰে তেওঁলোকৰ অন্তৰৰ কামনা বাসনা অনুসাৰে মন্দ কৰ্ম্ম কৰিবলৈ এৰি দিলে৷ আৰু তেওঁলোকৰ পাপ আচৰণৰ যোগেদি তেওঁলোকে তেওঁলোকৰ শৰীৰ আৰু মন আপবিত্ৰ কৰিলে। ২৫ঈশ্বৰৰ যি সত্যতা তাক আওকান কৰি তেওঁলোকে ভুল পথ গ্ৰহণ কৰিলে; আৰু সৃষ্টিকৰ্ত্তাক এৰি তেওঁলোকে তেওঁৰ সৃষ্টিৰ বস্তুক উপাসনা কৰিলে৷ তেওঁৰেই সেইজন যি জনক চিৰকাল প্ৰশংসা কৰা উচিত৷ আমেন৷

২৬যিহেতু সেই লোকসমূহে ঈশ্বৰক সন্মান নকৰিলে, সেইয়ে তেওঁ সেই লোকসমূহক তেওঁলোকে বিচৰা ধৰণৰ কুকৰ্ম্মত লিপ্ত হবলৈ তেওঁলোকক এৰি দিলে। নাৰীয়ে পুৰুষৰ সৈতে স্বাভাৱিক যৌন সম্পৰ্ক ত্যাগ কৰি পৰস্পৰৰ মাজত যৌন সম্পৰ্কত লিপ্ত হল। ২৭ঠিক একেদৰে পুৰুষেও ভাৰ্য্যাৰ সৈতে স্বাভাৱিক সম্পৰ্ক ত্যাগ কৰি সমকামিতাৰ প্ৰতি লালায়িত হৈ লাজৰ কৰ্ম্ম কৰিলে; আৰু এই পাপ কৰ্ম্মৰ শাস্তি তেওঁলোকে নিজলৈ আনিলে, সত্যৰ পৰা আঁতৰি আহাৰ মুল্য তেওঁলোকে পাইছে৷

২৮তেওঁলোকে ঈশ্বৰৰ সম্বন্ধে সত্য জ্ঞান থকাতো মুঠেই গুৰুত্বপুৰ্ণ বুলি চিন্তা নকৰিলে৷ সেয়ে ঈশ্বৰে তেওঁলোকক তেওঁলোকৰ অসাৰ চিন্তাত সোমাই থাকিবৰ বাবে সমৰ্পণ কৰিলে। আৰু যিবোৰ অনুচিত কাৰ্য্য তাক তেওঁলোকে কৰিবলৈ ধৰিলে। ২৯সেই লোকসমূহৰ জীৱনত সকলো ধৰণৰ পাপ, অসাধুতা, স্বাৰ্থপৰতা আৰু ঘৃণাৰে পূৰ্ণ। তেওঁলোকৰ জীৱন দ্বেষ, বধ, বিবাদ, মিছা ছল আৰু কুবুদ্ধিৰে পূৰ্ণ৷সিবিলাক পৰচৰ্চাকাৰী, ৩০ইজনে সিজনৰ অহিতে কয়। তেওঁবিলাকে ঈশ্বৰক ঘৃণাকৰে। তেওঁবিলাক খঙাল, আত্মশ্লাঘী, আৰু নিজক লৈ গৌৰব কৰোতা। তেওঁলোক মন্দ বিষয়ৰ উৎপাদক, পিতৃমাতৃৰ আজ্ঞা অমান্যকাৰী৷ ৩১তেওঁলোক নিৰ্ব্বোধী, প্ৰতিশ্ৰুতি ভঙ্গকাৰী, আৰু তেওঁবিলাকে আনৰ প্ৰতি প্ৰেম ভাব বা দয়া নেদেখুৱায়৷ ৩২তেওঁলোকে ঈশ্বৰৰ ব্যৱস্থা জানে আৰু এইয়াও জানে যে যিবিলাকে এনে আচৰণ কৰে তেওঁলোক মৃত্যুৰ যোগ্য৷ কিন্তু তাক জানিও তেওঁলোকে সেই সকলো কুকৰ্ম্ম কৰে আৰু যিকোনোৱে তেনে কাৰ্য্য কৰে তেওঁলোককো উৎহাসিত কৰে।

### তোমালোকো পাপী হোৱা

২ ১তাৰ মনে তুমি ভাবা যে তুমি সেই লোকসমূহৰ সোধ-বিচাৰ কৰিব পাৰিবা? তুমি যি কোনো নোহোৱা কিয়, তুমি ভুল ভাবিছা৷ তুমিও তুমি কৰা কৰ্ম্মৰ বাবে ৰক্ষা নাপাবা। তুমি আনৰ বিচাৰ কৰিছা; কিন্তু তুমিও সেই একেই মন্দ কৰ্ম্ম কৰিছা৷ সেয়েহে তুমি যেতিয়া আনৰ বিচাৰ কৰা তেতিয়া নিজকেই দোষী সাব্যস্ত কৰিছা। ২তোমালোকে কোৱা,"ঈশ্বৰৰ ন্যায় বিচাৰত তেওঁলোক দোষী হয় যিসকলে এনে কৰ্ম কৰে।" ৩কিন্তু তোমালোকেও যেতিয়া সেইসকল লোকৰ দৰে একেই আচৰন কৰিছা যি বিলাক মানুহৰ তোমালোকে বিচাৰ কৰা, তেন্তে নিশ্চিতভাৱে জানা যে ঈশ্বৰে তোমালোককো শাস্তি দিব। ঈশ্বৰৰ সোধবিচাৰৰ পৰা সাৰি পলাব পাৰিম বুলি কেনেকৈ তুমি ভাবিব পাৰা? ৪ঈশ্বৰে তোমাৰ প্ৰতি দয়া কৰিছে আৰু সহিষ্ণু হৈছে। তোমাৰ পৰিবৰ্তনৰ কাৰণে বাট চাইছে। কিন্তু তুমি তেওঁৰ দয়াকে হেয়জ্ঞান কৰিছা৷ তুমি হয়তো বুজি পোৱা নাই যে তোমালোকৰ প্ৰতি ঈশ্বৰৰ ইমান দয়াৰ উদ্দেশ্য হল যাতে তোমালোকে নিজৰ হৃদয় আৰু জীৱন সলনি কৰা৷

৫কিন্তু তোমালোক বৰ অবাধ্য৷ তোমালোকে পৰিৱৰ্তন হবলৈ অস্বীকাৰ কৰিছা। সেয়ে তোমালোকে তোমালোকৰ দণ্ড অধিকৰ পৰা আৰু অধিক কৰি তুলিছা৷ ঈশ্বৰৰ ক্ৰোধ প্ৰকাশৰ দিনা তোমালোকে সেই দণ্ড পাবা। সেই দিনা লোকসমূহে ঈশ্বৰৰ ন্যায়বিচাৰ দেখা পাব৷৬"ঈশ্বৰে প্ৰতিজন মানুহক তেওঁৰ কাৰ্য্য অনুসাৰে পুৰষ্কাৰ বা শাস্তি দিব।"৭যিবিলাকে ভাল কৰ্ম কৰি থাকে, মহিমা আৰু সন্মান ঈশ্বৰৰ পৰা পাবলৈ জীয়াই থাকে, ঈশ্বৰে তেওঁলোকক অনন্ত জীৱনৰ অধিকাৰী কৰিব৷ ৮কিন্তু আনবিলাকে নিজৰ স্বাৰ্থসিদ্ধ হোৱা দলক সমৰ্থন কৰিলে। সেই বাবে তেওঁলোকে সত্যক অগ্ৰাহ্য কৰি অধৰ্মক বাচি ললে। তেওঁলোক ঈশ্বৰৰ ক্ৰোধ আৰু শাস্তিৰ সন্মূখীন হবা৷ ৯কুকৰ্ম কৰোতা বিলাকক ঈশ্বৰে ক্লেশ আৰু যন্ত্ৰণা দিব৷ প্ৰথমে যিহুদী আৰু পাছত অযিহুদী ওপৰত৷ ১০সৎকৰ্ম্ম কৰোতা সকলোলৈ তেওঁ মহিমা, সন্মান আৰু শান্তি দিব, প্ৰথমে যিহুদী আৰু পাছত অযিহুদীবিলাকক৷ ১১তেওঁ যিয়েই নহওক কিয়, ঈশ্বৰে সকলো মানুহৰ একেদৰেই বিচাৰ কৰে।

১২যিবিলাকে বিধান জানে আৰু যিবিলাকে তাক কেতিয়াও শুনা নাই, পাপ কৰিলে তেওঁলোকে সকলোৱে একে পৰ্য্যায় পায়। বিধান নজানি যি লোকে পাপ কৰিলে তেওঁলোকো নষ্ট হব,একেদৰেই যিবিলাকৰ ওচৰত বিধান আছে তথাপি পাপ কৰে, তেওঁবিলাকৰ বিধানৰ দ্বাৰাই বিচাৰ হবা৷ ১৩কেৱল বিধানৰ কথা শুনিলেই ঈশ্বৰৰ আগত ধাৰ্মিক বুলি গনিত নহয়। তেওঁ বিলাক ঈশ্বৰৰ ওচৰত ধাৰ্মিক বুলি গণিত হব যেতিয়া তেওঁবিলাকে বিধানে কোৱাৰ দৰে কাৰ্য্য কৰিব।

১৪যি সকল যিহুদী নহয় তেওঁ বিলাকে কোনো বিধান পোৱা নাই। অথচ তেওঁলোকে যেতিয়া স্বভাৱত বিধান অনুসাৰে কৰ্ম্ম কৰে তেতিয়া তেওঁলোকে নিজৰ স্বাভাৱিক কৰ্মৰ যোগেদি বিধান-ব্যৱস্থাৰ উদাহৰণ দিয়ে, যদিও তেওঁলোকৰ কোনো লিখিত বিধান-ব্যৱস্থা নাই৷ ১৫বিধানত কোৱাৰ দৰে তেওঁলোকে তেওঁলোকৰ অন্তৰত গমপাই যে কোনটো ভাল আৰু কোনটো বেয়া। তেওঁলোকৰ

বিবেকেও এই বিষয়ে সাক্ষ্য দিয়ে৷ কিন্তু অনেক সময়ত তেওঁলোকৰ চিন্তাধাৰাই ব্যক্ত কৰে যে তেওঁলোকে অন্যায় কৰ্ম্ম কৰিছে আৰু কোনো কোনো সময়ত তেওঁলোকৰ চিন্তাধাৰাই ব্যক্ত কৰে যে তেওঁলোকে কেতিয়াবা শুদ্ধ আৰু কেতিয়াব ভুল কৰ্ম্ম কৰিছে৷

১৬এইবোৰ এইদৰে ঘটিব যেতিয়া ঈশ্বৰে মানুহৰ সকলো গুপ্ত বিষয়ৰ বিচাৰ কৰিব৷ তেওঁ এইবিলাক তেওঁৰ মনোনীত খ্ৰীষ্ট যীচু দ্বাৰাই কৰিব। সকলো লোকৰ ওচৰত প্ৰচাৰ কৰা শুভবাৰ্তাৰ ই এটা অংশ হয়৷

## যিহুদী আৰু বিধান-ব্যবস্থা

১৭তোমাৰ অৱস্থা কেনে? তুমি যি নিজকে যিহুদী বুলি পৰিচয় দিয়া? তুমি নিজকে উত্তম বুলি ভাবা, কিয়নো তোমাৰ বিধান আছে। সেই বাবে তোমালোকে গৰ্বৰে দাবী কৰা যে তোমালোক ঈশ্বৰৰ মনোনীত লোক৷ ১৮তুমি জানা যে ঈশ্বৰে তোমাৰ পৰা কোনটো কৰ্ম্ম আশা কৰে; আৰু কোনটো গুৰুত্বপূৰ্ণ তাকো তুমি জানা, কাৰণ তুমি বিধানৰ পৰা শিক্ষা পালা৷ ১৯তুমি ভাবা যে যিবিলাকে শুদ্ধ পথ দেখা নাই এনে লোকসমূহৰ তুমি এজন পথ প্ৰদৰ্শক, আৰু আন্ধাৰত থকা সকলৰ বাবে তুমি এক জ্যোতিস্বৰূপ৷ ২০তুমি ভাবা যে তুমি অজ্ঞানী লোকক যি শুদ্ধ তাক দেখুৱাব পাৰা। তুমি ভাবা যে নতুনকৈ শিক্ষা গ্ৰহন কৰা লোকক তোমালোকে শিক্ষা দিব পাৰা। তোমাৰ বিধান আছে গতিকে তুমি ভবা যে তুমি সকলো জানা আৰু সেই সকলোৰ সত্যৰ জ্ঞান আছে। ২১তুমি আনক শিক্ষা দিয়া; গতিকে তুমি নিজকে কিয় শিক্ষা নিদিয়া? তুমি তেওঁলোকক চুৰ নকৰিবলৈ শিক্ষা দিয়া৷ কিন্তু তুমি নিজেই চুৰ কৰা৷ ২২তুমি লোকসমূহক ব্যাভিচাৰ পাপত লিপ্ত নহবলৈ কোৱা; কিন্তু তুমি নিজে সেই পাপত পাপী৷ তুমি প্ৰতিমা ঘৃণা কৰা কিন্তু সেই বিলাক তোমালোকে সিঁহতৰ মন্দিৰৰ পৰা চুৰ কৰা৷ ২৩তোমালোকে ঈশ্বৰৰ বিধান-ব্যবস্থা পোৱাৰ বাবে গৰ্ব কৰা আকৌ সেই বিধান-ব্যবস্থাকে উলঙ্ঘা কৰি ঈশ্বৰক অপমানিত কৰিছা। ২৪শাস্ত্ৰত যেনেকৈ লিখা আছে: “তোমালোকৰ কাৰণে আন জাতিৰ লোক সমূহে ঈশ্বৰৰ নিন্দা কৰে৷”

২৫যদি তুমি বিধান-ব্যবস্থা মানা তেনে হলে তোমাৰ চুন্নতৰ মূল্য আছে; কিন্তু যদি বিধান উলঙ্ঘা কৰা তেন্তে এনে হয় যেন তোমালোকৰ কেতিয়াও চুন্নত হোৱাই নাছিল। ২৬যি সকল লোক যিহুদী নহয় তেওঁলোকৰ চুন্নত্ হোৱা নাই; কিন্তু চুন্নত বিহীনে যদি তেওঁলোকে বিধানৰ নিৰ্দ্দেশ অনুসাৰে চলে তেন্তে সিয়েই তেওঁলোকৰ বাবে চুন্নত হোৱাৰ দৰে। ২৭তোমালোকৰ লিখিত বিধান-পুস্তক আৰু চুন্নতৰ ৰীতি আছে; তথাপিও তোমালোকে বিধান-ব্যবস্থা লংঘন কৰিছা৷ সেয়ে যিবিলাক শৰীৰিক চুন্নত্ হোৱা নাই অথচ বিধান পালন কৰে, তেওঁলোকে তোমালোক যে দোষী তাক প্ৰমান কৰিব।

২৮বাহ্যিকভাবে যিহুদী হলেও তোমালোক প্ৰকৃত যিহুদী নোহোৱা, প্ৰকৃত চুন্নত্ আতি গভীৰ আৰু ই শৰীৰৰ ছালতকৈও গভীৰলৈ প্ৰবেশ কৰে। ২৯যি অন্তৰত অৰ্থাত ভিতৰৰ পৰা যিহুদী তেওঁহে প্ৰকৃত যিহুদী৷ প্ৰকৃত চুন্নত্ হৃদয়ত কৰা হয়; বিধান-ব্যবস্থাত লিখা আখৰৰ যোগেদি নহয়। আৰু যিকোনোৱে আত্মাৰ দ্বাৰাই হৃদয়ত চুন্নত্ সাধিত হয় তেওঁ ঈশ্বৰৰ পৰা প্ৰশংসা পায় মানুহৰ পৰা নহয়।

৩ ১গতিকে যিহুদী বিলাকৰ এনে কি সুবিধা যি আন লোকসমূহৰ নাই? তেওঁলোকৰ চুন্নতে তেওঁলোকক কিবা উপকাৰ সাধন কৰিছে নেকি? ২হয়, যিহুদী সকলৰ অনেক সুবিধা আছে৷ সকলোতকৈ গুৰুত্বপূৰ্ণ বিষয় এই যে: ঈশ্বৰে তেওঁৰ প্ৰতিজ্ঞাৰ সমূহ জনাবলৈ তেওঁলোকত সমৰ্পণ কৰিছিল। ৩এইটো সত্য যে কিছু কিছু যিহুদীলোক ঈশ্বৰে বিচৰা ধৰণে কৰ্ম কৰাত বিশ্বাসী নাছিল, কিন্তু তেওঁলোকৰ অবিশ্বাসে ঈশ্বৰৰ প্ৰতিজ্ঞাৰ পূৰণত বিফল কৰিবনে? ৪অৱশ্য নহয়! যদিও সকলো মানুহে নিজৰ প্ৰতিজ্ঞা পুৰণত ব্যাৰ্থ হয়, ঈশ্বৰে সদায় তেওঁ কোৱাৰ দৰে কাৰ্য্য কৰে৷ যি দৰে শাস্ত্ৰত লিখা আছে:

“তুমি তোমাৰ বাক্যত ধাৰ্ম্মিক বুলি গণিত হবা
আৰু লোকসমূহে তোমাক সোধবিচাৰ কৰা সময়ত
তোমাৰ জয় হবা” *গীতমালা ৫১:৪*

৫যদি আমাৰ ধাৰ্ম্মিকতাই ঈশ্বৰৰ ধাৰ্ম্মিকতাক সিদ্ধ কৰে, তেন্তে আমি কি কম? আমি কম নে ঈশ্বৰে যেতিয়া আমাক শাস্তি দিয়ে তেতিয়া তেওঁ অন্যায় কৰে বুলি?(এনে দৰে কিছু কিছু লোকে ভাৱে) ৬“অৱশ্যে নহয়! যদি ঈশ্বৰে অন্যয় কৰে, তেন্তে কেনেকৈ তেওঁ জগতৰ বিচাৰ কৰিব৷”

৭কিন্ত যেতিয়া মই মিছা কওঁ, ই সচাঁই ঈশ্বৰৰ মহিমাৰ কাৰণ হয়, কিয়নো মোৰ মিছাই তেওঁৰ সত্যতাক চাবলৈ সহজ কৰি তোলে। তেন্তে পাপী হিচাপে আমাৰ বিচাৰ কিয় হয় ৮তেন্তে মই এই কথা কিয় নকওঁ, “আহাঁ আমি কুকৰ্ম কৰো যাতে তাৰ পৰা ভাল ওলায়?” আমি এনে শিক্ষা দিওঁ বুলি কিছুলোকে কৈছে। তেওঁলোক মিছলীয়া! তেওঁলোক ইয়াৰ বাবে দোষী সাব্যস্ত হোৱা উচিত৷

## সকলো মানুহ দোষী

৯তেন্তে কি আমি যিহুদীসকল আন বিলাকতকৈ উত্তম নে? নিশ্চয়কৈ কেতিয়াও নহয়, কিয়নো মই আগেয়ে কলো যে যিহুদী হওক বা অযিহুদী হওক, সকলো পাপ শক্তিৰ অধীন৷ ১০শাস্ত্ৰত যেনেকৈ কৈছে:

“ধাৰ্ম্মিক কোনো নাই; আনকি এজনো নাই৷
১১ এনে কোনো নাই যি বুজি পায়৷
এনে কোনো নাই যিয়ে ঈশ্বৰক পাব চেষ্টা কৰে৷
১২ সকলোৱেই ঈশ্বৰৰ পৰা দূৰ হৈছে,
আৰু এতিয়া তেওঁলোক কাৰো বাবে উপযোগী নহয়,

কোনো এজন ভাল সৎ কৰ্ম্ম কৰা লোক নাই,
এজনো নাই!" *গীতমালা ১৪:১-৩*

১৩ "তেওঁলোকৰ মূখ এক উন্মুক্ত মৈদামৰ দৰে ভয়াবহ;
তেওঁলোকে নিজ জিভা মিছা কথাৰ কৰলৈ
ব্যৱহাৰ কৰে৷" *গীতমালা ৫:৯*

"তেওঁলোকৰ বাক্যবোৰ সাপৰ বিষৰ দৰে৷"
*গীতমালা ১৪০:৩*

১৪ "সদায় তেওঁলোকৰ মূখ শাওঁ আৰু কটু বাক্যৰে ভৰা৷"
*গীতমালা ১০:৭*

১৫ "সকলো সময়তে তেওঁলোক কোনো লোকক হত্যা
কৰিবৰ বাবে সাজু থাকে;
১৬ তেওঁলোক যোৱা সকলো বাটত,সদায় বিনাশ আৰু
বিষাদৰ কাৰণ হয়৷
১৭ তেওঁলোকে শান্তিত জীৱন নিৰ্বাহ কৰিব নজানে৷"
*যিচয়া ৫৯:৭-৮*

১৮ "ঈশ্বৰৰ প্ৰতি তেওঁলোকৰ ভয় আৰু শ্ৰদ্ধা নাই৷"
*গীতমালা ৩৬:১*

১৯আমি গম পাইছো যে বিধানে যি কৈছে সেয়া বিধানৰ
অধীনত থকা সকলৰ বাবে৷ সেয়ে মানুহে আৰু অজুহাত
দেখুৱাবলৈ একো বাট নাই, আৰু গোটেই জগত, যিহুদী কি
অযিহুদী, ঈশ্বৰৰ সন্মুখত থিয় হব লাগিব যত তেওঁলোকে
তেওঁক উত্তৰ দিব লাগিব৷ ২০কিয়নো বিধান-ব্যবস্থা পালন
কৰিলেই কোনো মানুহ ঈশ্বৰৰ আগত ধাৰ্মিক প্ৰতিপন্ন
নহয়, আচলতে বিধান-ব্যবস্থাই আমাক আমাৰ পাপ সমুহ
দেখুৱাই দিয়ে৷

### ঈশ্বৰ কি দৰে মানুহক ধাৰ্মিক প্ৰতিপন্ন কৰে

২১কিন্তু এতিয়া ঈশ্বৰে তেওঁৰ ধাৰ্মিকতা লোকসমূহৰ সন্মুখত
প্ৰকাশ কৰিলে।তেওঁ যি ধৰণৰে ইয়াক প্ৰতিপন্ন কৰিলে
এইয়া বিধানৰ অবিহনে নহয়, যদিও বিধান আৰু ভাৱবাদী
সকলে এই দৰে যে ঘতিব ইয়াক কৈছিল। ২২ঈশ্বৰৰ
ধাৰ্মিকতা যীচু খ্ৰীষ্টৰ ওপৰত বিশ্বাস কৰাৰ দ্বাৰাই জনা যায়।
খ্ৰীষ্টত বিশ্বাস স্থাপন কৰা সকলোৰে ভালৰ কাৰণে এই কৰ্ম্ম
ঈশ্বৰে কৰে, তেওঁলোক যিয়েই নহক কিয় তেওঁলোকৰ
মাজত কোনো প্ৰভেদ নাই। ২৩হয়, সকলোৱে পাপ কৰিলে
আৰু ঈশ্বৰৰ মহিমাৰ পৰা বঞ্চিত হৈছে। ২৪কিন্তু অনুগ্ৰহ
দানৰ দ্বাৰাই তেওঁলোক ঈশ্বৰৰ সৈতে ধাৰ্মিক বুলি গনিত
হল। যীচু খ্ৰীষ্টৰ দ্বাৰা পাপৰ পৰা মুক্তি পোৱাত এই দৰে হল।
২৫মানুহে পাপৰ পৰা উদ্ধাৰ পোৱাৰ উপায় পাবলৈ ঈশ্বৰে
যীচুক বলিৰূপে উৎসৰ্গা কৰিলে। তেওঁ ইয়াক কৰিবলৈ
সক্ষম হল কিয়নো যীচু খ্ৰীষ্টৰ বিশ্বস্বতা কাৰণে ক্ৰুচত নিজ
তেজ বোৱাই দিলে। ঈশ্বৰে এই কাৰ্য্যৰ যোগেদি দেখুৱালে
যে অতীততেও তেওঁ শুদ্ধ আছিল যেতিয়া তেওঁ ধৈৰ্য্যশীল
গুণৰ বাবে লোকবিলাকক তেওঁলোকৰ পাপৰ কাৰণে শাস্তি
দিয়া নাছিল। ২৬আকৌ ইয়াৰ যোগেদি তেওঁ দেখুৱালে যে
বৰ্ত্তমান সময়তো যি শুদ্ধ তেওঁ তাক কৰে— যে যীচু খ্ৰীষ্টৰ
যি ধাৰ্মিকতা তাৰ কাৰণে তেওঁ লোকবিলাকক ধাৰ্মিক বুলি
বিবেচনা কৰিব পাৰে।
২৭মই শুনিবলৈ পাইছো কোনোবাই কোৱা, "তেনেহলে
যিহুদি হিচাপে আমাৰ গৰ্ব কৰাৰ স্থল কি আছে?" একো
নাই। ঈশ্বৰে যিহুদী সকলৰ গৰ্ব কৰাৰ দুৱাৰ বন্ধ কৰিলে।
বিধানে কি কয়? যি বিধানে কাৰ্মৰ কথা কয়? নহয়, এই
বিধানে বিশ্বাসৰ কথা কয়। ২৮আমি বিশ্বাসৰ দ্বাৰা ধাৰ্মিক
বুলি গণিত হলো, বিধান-ব্যবস্থা পালনৰ যোগেদি নহয়।
ইয়াকে আমি বিশ্বাস কৰো। ২৯তোমালোকে ভাবা নেকি
ঈশ্বৰ কেৱল যিহুদী বিলাকৰহে ঈশ্বৰ? তেওঁ কি আন
লোকসমূহৰ ঈশ্বৰ নহয় নেকি? "হয়, তেওঁ সকলোৰে
ঈশ্বৰ হয়।" ৩০তেনেহলে আমি মানি লও যে ঈশ্বৰ কেৱল
এজনাহে। গতিকে তেওঁ কেৱল যিহুদীকে অকল বিশ্বাসৰ
দ্বাৰা ধাৰ্মিক প্ৰতিপন্ন কৰে এনে নহয়। অযিহুদীবিলাকো
বিশ্বাসৰ দ্বাৰাই ধাৰ্মিক বুলি গণিত কৰাব। ৩১তেন্তে আমি
কি বিধান ব্যৱস্থাক বিশ্বাসৰ সৈতে সলনি কৰিছো নিকি?
কেতিয়াও নহয়! বৰং বিধানৰ প্ৰকৃত উদেশ্যক সমৰ্থন
কৰিবলৈ আহ্বান জনাইছো।

### আব্ৰাহামৰ উদাহৰণ

4 ১তেন্তে আমাৰ পূৰ্ব পুৰুষ আব্ৰাহামৰ সম্বন্ধে বিধানত
কি কৈছে? ২যদি নিজৰ কৰ্ম্মৰ দ্বাৰায় আব্ৰাহামক
ধাৰ্মিক বুলি ঈশ্বৰে গ্ৰহন কৰিলে হয় , তাত তেওঁৰ গৌৰব
কৰাৰ বিষয় হব পাৰে; কিন্তু ঈশ্বৰৰ ওচৰত তেওঁ গৰ্ব কৰিব
নোৱাৰে। ৩সেই কাৰণে শাস্ত্ৰই কৈছে, "আব্ৰাহামে ঈশ্বৰক
বিশ্বাস কৰিলে, আৰু সেই বিশ্বাসৰ কাৰণে ঈশ্বৰে তেওঁৰ
ধাৰ্মিকতা বুলি গণিত কৰিলে।"[a]
৪তুমি যেতিয়া কৰ্ম্ম কৰা, তোমাৰ অনুদান আমি দান বুলি
গন্য নকৰো কিন্তু তোমাৰ ন্যাৰ্য্য পাওনা বুলি গন্য হয়৷ ৫কিন্তু
যদি, কৰ্ম্মৰ সলনি, তুমি তোমাৰ বিশ্বাস ঈশ্বৰৰ ওপৰত ৰাখা,
যি ঈশ্বৰে আনকি আধাৰ্মীকক ধাৰ্মিক কৰিব পাৰে, সেই
ঈশ্বৰে তোমাৰ বিশ্বাসলৈ চাই তোমাক ধাৰ্মিক প্ৰতিপন্ন
কৰে৷ ৬সেই একেদৰেই দায়ুদেও কৈছে, ধন্য সেইজন
ব্যক্তি যিজনক ঈশ্বৰে তেওঁৰ কৰ্ম্মৰ দ্বাৰা নহয় কিন্তু তেওঁৰ
বিশ্বাসৰ দ্বাৰাই ধাৰ্মিক বুলি গণিত কৰে৷

৭ "যি বিলাকৰ বিধান অমান্য পাপ ক্ষমা কৰা হল আৰু
যাৰ পাপ ঢকা হল তেওঁলোক ধন্য!
৮ যি পুৰুষৰ পাপ ঈশ্বৰে গণনা নকৰে, তেওঁ ধন্য"
*গীতমালা ৩২:১–২*

[a] **8:3** আদিপুস্তক ১৫:৬ পৰা

৯তেন্তে এই যি সৌভাগ্য ই কেৱল চুন্নত্ সকলৰ বাবে হয় নে? নে অচুন্নত সকলৰ বাবেও হয়? কিয়নো আমি আগতেই কৈছো, "বিশ্বাস দ্বাৰাই আব্ৰাহাম ধাৰ্মিক প্ৰতিপন্ন হলা।" ১০তেনেহলে ই কিদৰে হল? আব্ৰাহামক ঈশ্বৰে তেওঁৰ চুন্নত্ হোৱাৰ আগেয়ে, নে পাছত গ্ৰহন কৰিছিল? চুন্নত্ হোৱাৰ আগেয়ে গ্ৰহন কৰিছিল৷ ১১ঈশ্বৰে আব্ৰাহামক গ্ৰহন কৰাৰ চিন স্বৰুপে পিছত তেওঁৰ চুন্নত্ কৰা হৈছিল৷ তেওঁৰ চুন্নতে ইয়াক প্ৰমাণ কৰিলে যে তেওঁৰ ঈশ্বৰৰ লগত সিদ্ধ সমন্ধ আছিল যিহেতু তেওঁ ঈশ্বৰত ভাৰসা কৰিছিল আৰু চুন্নত্ কৰা আগতেই তেওঁ ঈশ্বৰক বিশ্বাস কৰিছিল। গতিকে আব্ৰাহাম সেই সকলৰো পিতৃ যি সকল অচুন্নত কিন্তু ঈশ্বৰত বিশ্বাস কৰে ; তেওঁলোকেও তেওঁলোকৰ বিশ্বাসৰ দ্বাৰাই ঈশ্বৰৰ সাক্ষাতে ধাৰ্মিক বুলি গণিত হয়। ১২আৰু আব্ৰাহাম চুন্নত্ হোৱা সকলৰ পিতৃ হয়, কিন্তু তেওঁলোক চুন্নত্ হোৱাৰ বাবেহে আব্ৰাহামৰ সন্তান হৈছে তেনে নহয়৷ আব্ৰাহাম তেওঁলোকৰো পিতৃ হল কিয়নো সেই লোকসমূহে ঈশ্বৰক বিশ্বাস কৰিলে সেই একে দৰে যি দৰে চুন্নত্ হোৱাৰ পূৰ্বেই আব্ৰাহামৰ বিশ্বাস আছিল।

## বিশ্বাস আৰু ঈশ্বৰৰ বাক্য

১৩ঈশ্বৰে আব্ৰাহাম আৰু তেওঁৰ বংশক জগতৰ উত্তৰাধিকাৰী হোৱাৰ প্ৰতিজ্ঞা কৰিছিল। কিন্তু কিয় ঈশ্বৰে সেই প্ৰতিজ্ঞা কৰিছিল? সেয়া আব্ৰাহামে বিধান পালন কৰাৰ বাবে নহয়। কিন্তু বিশ্বাসৰ দ্বাৰায় ঈশ্বৰৰ আগত ধাৰ্মিক গণিত হোৱাৰ বাবেহে। ১৪যি কোনোৱে বিধানৰ বাবে জীয়াই থাকে তেওঁলোকে ঈশ্বৰৰ যি প্ৰতিজ্ঞা তাৰ ভাগ নাপাব। আৰু যদি কোনোৱে পালেহেঁতেন, তেনেহলে বিশ্বাসৰ কোনো মুল্য নহল হয়। আৰু ই ঈশ্বৰৰ প্ৰতিজ্ঞাক মূল্যহীন বুলি বুজালে হয়। ১৫মই ইয়াকে কওঁ কিয়নো বিধানে সেই লোকসকলৰ ওপৰত কেৱল ঈশ্বৰৰ ক্ৰোধহে আনে যি জনে তাক পালন নকৰে। কিন্তু যত বিধান নাই, তাত কোনো উলঙ্ঘনো নাই৷

১৬সেয়ে লোকসমূহে ঈশ্বৰৰ যি অঙ্গীকাৰ তাক বিশ্বাসৰ দ্বাৰাই পায়। এই হয় যাতে ঈশ্বৰে প্ৰতিজ্ঞা কৰা যি আশীৰ্বাদ সি বিনামুলীয়া দান হিচাপে গ্ৰহণ হয়৷ আৰু তেতিয়া আব্ৰাহামৰ বংশৰ সকলোৱে নিশ্চয় কৈ সেই আৰ্শীবাদসমূহ উপভোগ কৰিব।মোচিৰ বিধানৰ অধীনত কথাসকলকহে কেৱন এই প্ৰতিজ্ঞা দিয়া হোৱা নাই। কিন্তু এই প্ৰতিজ্ঞা সেই সকলোৰে বাবে যি সকলৰ বিশ্বাস আব্ৰাহামৰ দৰে। তেৱেঁই আমাৰ আটাইৰে পিতৃ। ১৭শাস্ত্ৰত কোৱাৰ দৰে, "মই তোমাক অনেক জাতিৰ পিতৃ পাতিলো।"[a] ঈশ্বৰৰ দৃষ্টিত ই সত্য, যি জনক আব্ৰাহামে বিশ্বাস কৰিছিল। তেওঁৱে ঈশ্বৰ, যি জনে মৃতকক জীৱন দিয়ে আৰু যিবিলাকৰ অস্তিত্ব নাই তেওঁ তেনে বস্তু উৎপন্ন কৰে যেন সি আগৰ পৰাই আছিল৷

১৮আব্ৰাহামৰ সন্তান হোৱাৰ কোনো আশা নাছিল, কিন্তু আব্ৰাহামে ঈশ্বৰত বিশ্বাস কৰিলে আৰু তেওঁত আশা কৰি থাকিল। আৰু তাৰ কাৰণে তেওঁ অনেক জাতিৰ পিতৃ হল। ঠিক ঈশ্বৰে যেনেকৈ তেওঁক কৈছিল, "তোমাৰ বহু বংশ হবা।"[b] ১৯আব্ৰাহামৰ বয়স তেতিয়া প্ৰায় এশ বছৰ, গতিকে তেওঁৰ সন্তান জন্ম দিব পৰা বয়ষ শেষ হৈছিল। তেওঁৰ ভাৰ্য্যা চাৰাৰো সন্তান ধাৰন কৰিবৰ ক্ষমতা নাছিল। আব্ৰাহামে এইবোৰ কথা ভালদৰে জানিছিল, কিন্তু ঈশ্বৰৰ প্ৰতি তেওঁৰ বিশ্বাস দুৰ্বল হোৱা নাছিল। ২০ঈশ্বৰৰ যি প্ৰতিশ্ৰুতি তাত সিদ্ধ হোৱা বিষয়ত আব্ৰাহামৰ কেতিয়াও সন্দেহ নাছিল। আব্ৰাহামে কেতিয়াও অবিশ্বাস নকৰিলে বৰং বিশ্বাসত বৃদ্ধি হৈ গল। তেওঁ ঈশ্বৰৰ প্ৰশংসা কৰিলে। ২১আৰু ঈশ্বৰ যে প্ৰতিজ্ঞা সিদ্ধ কৰাত সমৰ্থ তাৰ দৃঢ় বিশ্বাস আছিল। ২২আৰু সেই কাৰণে, "এই বিশ্বাসে তেওঁক ঈশ্বৰৰ সম্মুখত ধাৰ্মিক বুলি গণিত কৰিলে।"[c] ২৩শাস্ত্ৰৰ এই বাক্যত বিশ্বাস তেওঁলৈ ধাৰ্ম্মিকতা বুলি গণিত হ'ল।" কেৱল আব্ৰাহামৰ নিমিত্তে নহয়, ২৪আমাৰ কাৰনেও লিখা হৈছে। ঈশ্বৰে আমাকো আমি কৰা বিশ্বাসৰ বাবে গ্ৰহন কৰিব। যিজনে প্ৰভু যীচুক মৃত বিলাকৰ মাজৰ পৰা তুলিলে, সেই জনক আমি বিশ্বাস কৰো। ২৫ঈশ্বৰে আমাৰ পাপৰ বাবে যীচুক মৃত্যুৰ হাতত সমৰ্পণ কৰিলে। আৰু আমাক ঈশ্বৰৰ সাক্ষাতে ধাৰ্মিক গণিত কৰিবৰ বাবে মৃত বিলাকৰ মাজৰ পৰা যীচুক পুনৰ জীৱিত কৰিলে।

## ঈশ্বৰৰ প্ৰেম

৫ ১হয়, যীচু খ্ৰীষ্টৰ বিশ্বস্থতাৰ কাৰণে ঈশ্বৰে আমাক ধাৰ্মিক বুলি গণিত কৰিলে। এই কাৰণে প্ৰভু যীচু খ্ৰীষ্ট তেওঁৰ অভিষিক্ত ৰজা, তেওঁৰ দ্বাৰাই আমাৰ ঈশ্বৰৰ সৈতে শান্তি স্থাপন হৈছে। ২খ্ৰীষ্টৰ বিশ্বাসৰ বাবে, তেওঁ আমাৰ কাৰণে ঈশ্বৰৰ অনুগ্ৰহ প্ৰাপ্তিত দুৱাৰ মুকলি কৰিলে, যাক আমি এতিয়া উপভোগ কৰিছো। আৰু আমি আনন্দ কৰো যে এই প্ৰত্যাশা লৈ যে এদিনাখন আমিও ঈশ্বৰৰ গৌৰৱৰ অংশীদাৰ হম। ৩এনে কি সকলো দুখ কষ্টৰ মাজতো আমি আনন্দ কৰো, কিয়নো আমি জানো এই দুখ কষ্টই আমাক ধৈৰ্য্যৰে বিপদৰ সন্মূখীন হবলৈ শিকায়। ৪আৰু এই ধৈৰ্য্যই প্ৰমান কৰে যে আমি শক্তিশালী। আৰু এই প্ৰমানে আমাক আশা দিয়ে। ৫আৰু আমাৰ যি আশা এইয়ে কেতিয়াও আমাক নিৰাশ নকৰে। ইয়াক আমি জানো কিয়নো পবিত্ৰ আত্মাৰ দ্বাৰায় ঈশ্বৰৰ প্ৰেম আমাৰ অন্তৰত বাকি দিয়া হৈছে যাতে আমাৰ অন্তৰ পৰিপূৰ্ণ হয়।

৬আমি যেতিয়া শক্তিহীন আছিলো, তেতিয়া তেওঁ উপযুক্ত সময়ত ভক্তিহীন বিলাকৰ নিমিত্তে নিজকে বলিদান কৰিলে। ৭বহু কম লোকে আনৰ প্ৰাণ ৰক্ষাৰ বাবে আপোন প্ৰাণ দিয়ে, যদিও তেওঁ যিমানেই ভাল লোক নহক কিয়। কোনোৱে হয়তো ইচ্ছা কৰিব পাৰে বিশেষকৈ কোনো ভাল লোকৰ বাবে। ৮কিন্ত চিন্তা কৰি চোৱা যে ঈশ্বৰে তেওঁৰ মহান প্ৰেম কি দৰে প্ৰকাশ কৰিলে : আমি

[a] ***৪:১৭*** আদিপুস্তক ১৭:৫ পৰা

[b] ***৪:১৮*** আদিপুস্তক ১৫:৫ পৰা

[c] ***৪:২২*** আদিপুস্তক ১৫:৬ পৰা

যেতিয়া পাপী আছিলো তেতিয়া ঈশ্বৰৰ অভিসিক্ত খ্ৰীষ্টে
আমাৰ বাবে প্ৰাণ দিলে।
৯হয়, ঈশ্বৰৰ অভিসিক্ত খ্ৰীষ্টৰ মৃত্যুৰ দ্বাৰাই ঈশ্বৰে
আমাক ধাৰ্মিক প্ৰতিপন্ন কৰিছে; গতিকে ই অধিক স্পষ্ট
যে তেওঁৰ দ্বাৰাই আমি ঈশ্বৰৰ ক্ৰোধ পৰা ৰক্ষা পাম।
১০কিয়নো যেতিয়া আমি ঈশ্বৰৰ শত্ৰু আছিলো তেতিয়া
ঈশ্বৰে তেওঁৰ পুত্ৰৰ মৃত্যুৰ দ্বাৰায় তেৰেঁ সৈতে আমাক
মিলন কৰিলে। আৰু আমি যেতিয়া ঈশ্বৰৰ বন্ধু হলো ইয়ে
আমাক আধিক নিশ্চিত কৰে যে আমি এতিয়া তেওঁৰ পুত্ৰৰ
দ্বাৰায় উদ্ধাৰ পাম। ১১আমিয়েই যে কেৱল উদ্ধাৰ পাম
তেনে নহয়, কিন্তু আমি এতিয়া আমাৰ ঈশ্বৰে আমাৰ বাবে
তেওঁৰ আভিষিক্ত ৰজা প্ৰভু যীচুৰ যোগেদি যি কৰিলে তাত
আনন্দ কৰো। কিয়নো আমি এতিয়া যীচুৰ কাৰণে ঈশ্বৰৰ
মিত্ৰত পৰিণত হইছো।

## আদম আৰু খ্ৰীষ্ট

১২এজন মানুহ(আদম)ৰ যোগেদি পৃথিৱীত পাপ আহিছিল,
আৰু পাপৰ দ্বাৰায় মৃত্যু আহিল। সেই বাবে সকলো মানুহলৈ
মৃত্যু আহিল কাৰণ সকলোৱে পাপ কৰিলে। ১৩মোচিৰ
বিধান-ব্যৱস্থা অহাৰ আগেয়ে জগতত পাপ আছিল, অৱশ্যে
তাৰ আগতে বিধান-ব্যৱস্থা নাথকাত লোকসমূহৰ পাপ গন্য
কৰিব পৰা নগৈছিল; ১৪কিন্তু আদমৰ সময় পৰা মোচিৰ
সময় পৰ্যন্ত সকলোৱে মৃত্যুক সাৱটি ললে। আদমৰ মৃত্যু
ঈশ্বৰৰ আজ্ঞা অমান্য কৰাৰ যোগেদি আহিছিল। কিন্তু
যিবিলাকে আদমৰ দৰে পাপ নকৰিলে,মৃত্যুৱে একেদৰে
তেওঁলোকৰ ওপৰতো ৰাজত্ব কৰিলে।
সেই এজন মানুহ, আদম, যি জন পিছত আহিব লগা
আছে তেওঁৰ লগত তুলনা কৰিব পাৰি। ১৫কিন্তু ঈশ্বৰৰ
যি বিনামুলীয়া অনুগ্ৰহৰ দান সেই আদমৰ পাপৰ দৰে
নহয়, কিয়নো সেই এজন লোকৰ পাপৰ দ্বাৰাই অনেকৰ
মৃত্যু হল। কিন্তু যি অনুগ্ৰহ আমি ঈশ্বৰৰ পৰা পালো সি
অধিক শক্তিশালী। বহুতে ঈশ্বৰৰ অনুগ্ৰহদানৰ জীৱন যীচু
খ্ৰীষ্টৰ দ্বাৰা লাভ কৰিলে৷ ১৬আদমে এবাৰ পাপ কৰাত
দূষি সাব্যস্ত হল। কিন্তু ঈশ্বৰৰ অনুগ্ৰহৰ দান তেনে নহয়।
অনেকৰ পাপৰ পিছতো ঈশ্বৰৰ বিনামূল্য দান আহিল, আৰু
ইয়াৰ যোগেদি আমাৰ আৰু ঈশ্বৰৰ মাজত সমন্ধ স্থাপন
হল। ১৭এজন মানুহে পাপ কৰিলে, আৰু সেই এজন
ব্যক্তিৰ অপৰাধৰ বাবে সকলোৰে ওপৰত মৃত্যুয়ে ৰাজত্ব
কৰিলে; কিন্তু এতিয়া নিশ্চয়কৈ লোকসকলে যীচু খ্ৰীষ্টৰ
দ্বাৰাই জীৱনৰ পৰিপূৰ্ণতা লৈ মৃত্যুৰ ওপৰত ৰাজত্ব কৰিব৷
সেইসকল ব্যক্তি অৰ্থাৎ যিবিলাক ঈশ্বৰৰ কাষৰ পৰা আসীম
অনুগ্ৰহ লাভ কৰিলে আৰু ধাৰ্মিক গন্য হোৱাৰ অধিকাৰ দান
হিচাবে পায়, তেওঁলোক।
১৮সেয়ে আদমৰ এটা পাপে যেনেকৈ সকলোৰে ওপৰত
শাস্তি হিচাপে মৃত্যুক লৈ আহিল, কিন্তু সেই একেদৰেই
খ্ৰীষ্টৰ এক ন্যায় কৰ্ম্মৰ দ্বাৰা সকলোৱে ঈশ্বৰৰ সাক্ষাতে
ধাৰ্মিক প্ৰতিপন্ন হৈছে আৰু খ্ৰীষ্টৰ যোগেদি তেওঁলোকে
প্ৰকৃত জীৱনৰ অধিকাৰী হৈছে, ১৯যেনেকৈ এজনৰ
অবাধ্যতাৰ কাৰণে সকলো লোক পাপী বুলি গন্য হল, ঠিক
সেইদৰেই এজনৰ ঈশ্বৰৰ প্ৰতি কৰা বাধ্যতাৰ যোগেদি
অনেক ধাৰ্মিক প্ৰতিপন্ন হব৷ ২০বিধান-ব্যৱস্থা অহাৰ পাছত,
লোকসকলে পাপ কৰ্ম কৰিবলৈ অধিক বাট মুকলি হৈছে।
কিন্তু লোকসকলৰ যিমান অধিক পাপ বৃদ্ধি পালে তাত
ঈশ্বৰৰ অনুগ্ৰহ সিমানেই অধিক উপচি পৰিল৷ ২১এসময়ত
পাপে মৃত্যুৰ দ্বাৰা আমাৰ ওপৰত ৰাজত্ব কৰিছিল, কিন্তু
এতিয়া ঈশ্বৰে লোকসমূহৰ ওপৰত তেওঁৰ মহা অনুগ্ৰহ দান
কৰিলে আৰু সেই অনুগ্ৰহৰ দ্বাৰাই আমি ঈশ্বৰৰ সাক্ষাতে
ধাৰ্মিক প্ৰতিপন্ন হলো, আৰু ইয়াৰ যোগেদি আমি প্ৰভু যীচু
খ্ৰীষ্টৰ দ্বাৰাই অনন্ত জীৱন লাভ কৰিলো৷

## পাপত মৃত্যু কিন্তু খ্ৰীষ্টত জীৱন

৬ ১তেন্তে আমি কি কম? ঈশ্বৰে আমাৰ ওপৰত আৰু
অধিক অনুগ্ৰহ দান কৰিবৰ অৰ্থে আমি পাপ কৰ্ম
কৰিয়ে যাওঁ? ২নিশ্চয় কৈ নহয়! আমাৰ পাপৰ বাবে মৰিলো,
গতিকে আমি আকৌ পাপত কি দৰে জীয়াই থাকিম?
৩তোমালোকে কি পাহৰি গলা নেকি যে আমি বাপ্তিস্ম
হোৱাৰ যোগেদি খ্ৰীষ্ট যীচুৰ শৰীৰৰ এক অংশত পৰিণত
হলো? বাপ্তিস্ম লোৱাৰ যোগেদি আমি তেওঁৰ মৃত্যু ভগাই
ললো। ৪গতিকে আমি যেতিয়া বাপ্তিস্ম লৈছিলো, আমি
তেওঁৰে সৈতে মৈদামত থোৱা হলো আৰু তেওঁৰ মৃত্যুৰ
অংশীদাৰ হলো। আৰু খ্ৰীষ্টক যেনেকৈ পিতৃৰ আচৰিত
শক্তিৰ দ্বাৰাই মৃত্যুৰ পৰা তোলা হল, তেনেকৈ আমিও
তেওঁৰ সৈতে পুনৰুত্থিত হৈ এক নতুন জীৱন পালো।
৫হয়, খ্ৰীষ্টে যি দৰে মৃত্যুভোগ কৰিলে আমি তাৰ সহভাগী
হলো। আৰু সেই দৰে তেওঁৰ মৃত্যুৰ পৰা হোৱা যি পুনৰুত্থান
আমি তাৰো সহভাগী হম। ৬আমি জানো যে আমাৰ পুৰনি
জীৱন খ্ৰীষ্টৰ সৈতে ক্ৰুচত মৰিল , এইয়া ঘটিল যাতে মানুহ
হিচাপে আমাৰ দূৰ্বলতাই আমাক পুণৰ পাপত নেপেলাই।
ইয়াৰ অৰ্থ আমি আৰু পাপৰ দাস হৈ নাথাকিম। ৭কিয়নো
যাৰ মৃত্যু হৈছে তেওঁ পাপৰ কবলৰ পৰা মুক্তি পাইছে৷
৮যদি আমি খ্ৰীষ্টৰে সৈতে মৰা হৈছো, তেন্তে আমি
নিশ্চিত যে আমি তেওঁৰে সৈতে জীয়াই থাকিম৷ ৯ঈশ্বৰৰ
মনোনীত খ্ৰীষ্ট যেতিয়া মৃত্যুৰ পৰা জীৱিত হৈ উঠিল, আৰু
আমি জানো যে তেওঁৰ আৰু পুনৰ মৃত্যু হব নোৱাৰে।
এতিয়া তেওঁৰ ওপৰত মৃত্যুৰ কোন ক্ষমতা নাই৷ ১০হয়,
খ্ৰীষ্টে মৃত্যুভোগ কৰিছিল পাপৰ শক্তিক চিৰকালৰ বাবে
পৰাভূত কৰিবৰ বাবে৷ এতিয়া তেওঁ এক নতুন জীৱন
পাইছে , সেই জীৱন ঈশ্বৰৰ উদেশ্যে উসৎৰ্গিত জীৱন।
১১ঠিক সেইদৰে তোমালোকে নিজকে গণ্য কৰা যে
তোমালোক পাপৰ সমন্ধে মৰা, কিন্তু ঈশ্বৰৰ উদ্দেশ্যে
খ্ৰীষ্টত জীয়াই আছা।
১২সেয়ে তোমালোকে এই পৃথিৱীত থকা কালত এই
মৰ্ত্ত্য শৰীৰক মন্দ অভিলাষৰ বশ হবলৈ পাপক ৰাজত্ব কৰিব
নিদিবা ১৩তোমালোকৰ শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গক অধাৰ্মিকতাত

সজুলিস্বৰূপে ব্যৱহাৰ হবলৈ পাপৰ ওচৰত সমৰ্পণ নকৰিবা।
কিন্তু পাপৰ সম্বন্ধে মৰি পুনৰ জীৱন পোৱা লোকসমূহৰ
নিচিনা নিজৰ জীৱন ঈশ্বৰৰ হাতত সমৰ্পণ কৰা। নিজ নিজ
শৰীৰৰ অঙ্গ প্ৰত্যঙ্গ বোৰ ঈশ্বৰৰ দৃষ্টিত যি গ্ৰহনীয় তালৈ
ব্যৱহাৰ হবলৈ সমৰ্পণ কৰা। ১৪পাপে আৰু তোমালোকৰ
ওপৰত প্ৰভুত্ব নকৰিব, কিয়নো তোমালোক বিধানৰ
অধীন নোহোৱা কিন্তু এতিয়া তোমালোক ঈশ্বৰৰ অনুগ্ৰহৰ
অধীনতহে জীয়াই থাকিবা।

### ধাৰ্মিকতাৰ অৰ্থে দাস

১৫তেন্তে আমি কি কৰিম? আমি বিধান-ব্যৱস্থাৰ অধীন নহয়;
ঈশ্বৰৰ অনুগ্ৰহৰ অধীন হোৱা হেতুকে পাপ কৰিয়ে থাকিম
নে? এনে নহওক৷ ১৬তোমালোকে নিশ্চয়কৈ জানা যে
তোমালোকে যিহতে সমৰ্পণ হবা তাৰ দাস হবা। যি কোনো
বিষয় বা যিকোনো ব্যক্তিয়ে তোমালোকক দাস কৰিব
পাৰে। তোমালোক পাপত সমৰ্প হব পাৰা বা ঈশ্বৰৰ অনুগামী
হব পাৰা। কিন্তু জানিবা, পাপত সমৰ্পিত হোৱাৰ যোগেদি
আত্মিক মৃত্যু আহে কিন্তু ঈশ্বৰৰ অনুগামী জন ধাৰ্মিক বুলি
প্ৰতিপন্ন হবা৷ ১৭আগেয়ে তোমালোক পাপৰ দাস আছিলা,
পাপে তোমালোকক নিয়ন্ত্ৰন কৰিছিল৷ কিন্তু ঈশ্বৰক ধন্যবাদ
জনাওঁ, কিয়নো তোমালোকে যি শিক্ষা পাইছিলা তাক
পালন কৰিছা। ১৮তোমালোকক পাপৰ দাসত্বৰ পৰা মুক্তি
কৰা হৈছে, আৰু তোমালোক এতিয়াৰ পৰা ধাৰ্মিকতাৰ
দাস হলা। ১৯তোমালোকে যাতে আত্মিক সত্যতাবোৰ
বুজি পোৱাত সহায় হয় সেই বাবে মই দৈনন্দিন জীৱনৰ
এই দৃষ্টান্ত বিলাক ব্যৱহাৰ কৰিছো। আগতে তোমালোকে
শৰীৰ অঙ্গ-প্ৰত্যঙ্গ বোৰ তোমালোকৰ পাপ আৰু মন্দ বিষয়ৰ
চিন্তাক শোধাই দিছিলা। তাৰ ফল স্বৰূপে তোমালোকে
কেৱল পাপৰ উদ্দেশ্যে জীৱন যাপন কৰিছিলা। সেইদৰে
এতিয়া তোমালোকে তোমালোকৰ শৰীৰৰ অঙ্গ প্ৰত্যঙ্গ সমূহ
ধাৰ্মিকতালৈ শোধাই দিয়া; তেতিয়া তোমালোকে কেৱল
ঈশ্বৰ উদেশ্যে পবিত্ৰ জীৱন যাপন কৰিব পাৰিবা।
২০আগেতে যেতিয়া তোমালোক পাপৰ দাস আছিলা,
তেতিয়া ধাৰ্মিকতা সম্পৰ্কে তোমালোকে চিন্তা কৰা
নাছিলা। ২১তোমালোকে মন্দ কাৰ্য্য সমূহ কৰিছিলা আৰু
এতিয়া সেই মন্দ কৰ্ম্ম বিলাকৰ বাবে লাজ পাইছা। সেই
বিষয় বোৰে তোমালোকক সহায় কৰিব পাৰিবনে? নোৱাৰে
, কিয়নো এই সকলো কৰ্ম্মৰ ফল মৃত্যু। ২২কিন্তু এতিয়া
তোমালোক পাপৰ পৰা মুক্ত। তোমালোক ঈশ্বৰৰ দাস
হলা ; তাৰ অৰ্থ, এতিয়াৰে পৰা তোমালোক কেৱল ঈশ্বৰৰ
উদেশ্যে জীয়াই থাকিবা। ইয়ে তোমালোকক অনন্ত জীৱন
দিব। ২৩যেতিয়া মানুহে পাপ কৰে, তেতিয়া তাৰ ফল
স্বৰূপে মৃত্যুক পায়। কিন্তু ঈশ্বৰে আমাক এটা বিনামুলীয়া
উপহাৰ দিলে — আমাৰ প্ৰভু খ্ৰীষ্ট যীচুত অনন্ত জীৱন৷

৭ ১হে ভাই আৰু ভনী সকল, তোমালোক সকলোৰে
মোচিৰ বিধান ব্যৱস্থা জানা। গতিকে তোমালোকে
নিশ্চয়কৈ জানা যে মানুহ যিমানদিন জীয়াই থাকে
সিমানদিনহে তেওঁ বিধান-ব্যৱস্থাৰ অধীনত থাকে। ২যি
দৰে বিবাহ সমন্ধে বিধান ব্যৱস্থাত কোৱাৰ দৰে : এগৰাকী
তিৰোতা যিমানদিন তেওঁৰ স্বামী জীয়াই থাকে সিমান দিন
তেওঁৰ প্ৰতি দায়বদ্ধ থাকে৷ কিন্তু স্বামীৰ মৃত্যু হলে তেওঁ
বিয়াৰ বিধান-ব্যৱস্থা পৰা মুক্তি পায়৷ ৩কিন্তু সেই তিৰোতাই
যদি তেওঁৰ স্বামী জীয়াই থাকোতে আন পুৰুষৰ ভাৰ্য্যা হয়,
তেতিয়া তাইক ব্যাভিচাৰণী বোলা যাব। কিন্তু তাইৰ স্বামীৰ
যদি মৃত্যু হয়, তেন্তে তাই বিয়াৰ বিধান-ব্যৱস্থা পৰা মুক্ত হৈ
যায়; আৰু তেতিয়া তাই যদি আন পুৰুষক বিয়া কৰে তেন্তে
তাই ব্যাভিচাৰৰ দোষত দোষী নহয়।
৪থিক একে দৰে, মোৰ প্ৰিয় ভাই আৰু ভনী সকল,
ঈশ্বৰৰ মনোনীত খ্ৰীষ্টৰ শৰীৰৰ দ্বাৰা তোমালোকৰ পুৰণি
সত্বাৰ মৃত্যু হৈছে আৰু তোমালোক বিধান-ব্যৱস্থাৰ বন্ধনৰ
পৰা মুক্ত হৈছা৷ এতিয়া তোমালোক বেলেগৰ হৈছা।
মৃত্যু পৰা যিজন জীয়াই উঠিল তোমালোক তেওঁৰ হৈছা।
আমি খ্ৰীষ্টৰ হৈছোঁ, যাতে ঈশ্বৰৰ উদ্দেশ্যে ফল উৎপন্ন
কৰিব পাৰো। ৫অতীতে মানুহ সিচাপে আমি পাপ প্ৰবৃত্তি
অনুসাৰে জীৱনযাপন কৰিছিলো। বিধান-ব্যৱস্থাই আমাত
পাপ প্ৰবৃত্তি জগাই তোলে। আৰু সেই পাপ প্ৰবৃত্তি সমুহে
আমাৰ শৰীৰক নিয়ন্ত্ৰন কৰিছিল। ফলত আমি যি কৰো
সিয়ে মাত্ৰ আমালৈ আত্মিক মৃত্যু আহিছিল। ৬অতীততে
বিধান-ব্যৱস্থাই আমাক বন্দী কৰি ৰাখিছিল, কিন্তু এতিয়া
আমাৰ পুৰনি সত্তাৰ মৃত্যু হৈছে আৰু আমি বিধান-ব্যৱস্থাৰ
বন্ধনৰ পৰা মুক্ত হইছো৷ সেয়েহে এতিয়া আমি নতুন ধৰণে
ঈশ্বৰৰ সেৱা কৰো, পুৰণি লিখিত বিধান-ব্যৱস্থাৰ নিৰ্দেশ
অনুসাৰে নহয় কিন্তু পবিত্ৰ আত্মাৰ পৰিপূৰ্ণ হৈ।

### পাপৰ বিৰুদ্ধে আমাৰ যুদ্ধ

৭তেন্তে মই কি কৈছো? মই কৈছো নে যে বিধান পাপ?
অৱশ্যে নহয়। কিন্তু বিধান-ব্যৱস্থাই হৈছে একমাত্ৰ পথ
যাৰ যোগেদি মই পাপ কি তাক চিনি পাওঁ। মই কতিয়াও
নাজানিলো হেঁতেন যে আনৰ বস্তুৰ প্ৰতি লোভ কৰাতো
পাপ। কিন্তু বিধান-ব্যৱস্থাই কৈছে, “তুমি আনৰ বস্তুলৈ
লোভ নকৰিবা” ৮কিয়নো পাপে সেই নিষেধাজ্ঞাৰ সুযোগ
লৈ আমাৰ অন্তৰত তেতিয়া সেই লোভৰ আকৰ্ষণ জগাই
তুলিবলৈ আৰম্ভ কৰিলে৷ সেয়ে সেই আজ্ঞাৰ সুযোগ
লৈ আমাৰ জীৱনত পাপ প্ৰৱেশ কৰিলে৷ বিধান ব্যৱস্থা
নাথাকিলে পাপৰ কোন শক্তি নাথাকে। ৯মই বিধান-ব্যৱস্থা
জনাৰ আগতে, জীয়াই আছিলো; কিন্তু যেতিয়া বিধান-
ব্যৱস্থা আহিল তেতিয়া আমাৰ মাজত পাপ নিবাস কৰিব
আৰম্ভ কৰিলে। ১০তেতিয়া মই আত্মিকভাবে মৃত্যু বৰণ
কৰিলো৷ যি আজ্ঞাৰ যোগেদি জীৱন পোৱাৰ কথা সেই
আজ্ঞাই মোক মৃত্যুৰ মুখলৈ ঠেলি দিলে। ১১সেই আজ্ঞাৰ
যোগেদি পাপ মোত থকাৰ সুযোগ পালে আৰু সিয়েই মোক
ভুলাই আত্মিকভাবে বধ কৰিলে।
১২তেন্তে দেখা যায় যে বিধান-ব্যৱস্থা পবিত্ৰ আৰু তাৰ
আজ্ঞাও পবিত্ৰ, ন্যায় আৰু উত্তম। ১৩তেন্তে ইয়ে বুজায়

নে, যে যি উত্তম সিয়ে আমাৰ ওচৰলৈ মৃত্যু লৈ আহিল?
নিশ্চয়কৈ নহয়, এইটোৱে পাপ, যিয়ে উত্তম আজ্ঞাৰ
যোগেদি আমাৰ ওচৰলৈ মৃত্যু লৈ আহিল। ইয়ে এটা উত্তম
আজ্ঞাক বেয়া কাৰ্য্য কৰিবৰ বাবে ব্যৱহাৰ কৰিব পাৰে আৰু
ইয়াৰ যোগেদি বুজা যায় পাপ যে কিমান নিকৃস্ত।

## আমাৰ ভিতৰৰ যুজ

১৪আমি জানো যে বিধান-ব্যৱস্থা আত্মিক; কিন্তু মই আত্মিক
নহও। মই হলে মাংসিক। এই হেতুকে পাপে মোত এই দৰে
কাৰ্য্য কৰে যেন মই তাৰ দাস। ১৫মই বুজি নাপাও মই কিয়
এই দৰে কাৰ্য্য কৰো। মই যি ভাল তাক ইচ্ছা কৰিও নকৰো
কিন্তু যি মন্দ যাক ঘৃণা কৰো সেয়াহে কৰো। ১৬আৰু যদি মই
ইচ্ছা কৰাৰ দৰে কাৰ্য্য নকৰো, তেন্তে মই বিধান উত্তম বুলি
স্বীকাৰ কৰা বুজায়। ১৭মই যেনেকুৱা মন্দ কৰ্ম্ম কৰিছোঁ তাক
মই নিজে যে কৰিছোঁ সেইটো নহয়, কিন্তু যি পাপ মোত
নিবাস কৰি আছে সিয়েহে কৰিছে। ১৮হয়, মই জানো যি
ভাল সি আমাৰ মাজত নিবাস কৰা নাই— মই কব বিছাৰিছো
যে মোত কোনো ভাল বিষয় নাই আৰু এইয়া আত্মিক নহয়।
কিয়নো যি ভাল তাক কৰিবলৈ মই ইচ্ছা কৰো কিন্তু তাক
মই কৰিব পৰা নাই। ১৯কিয়নো যি ভাল তাক মই কৰিবৰ
ইচ্ছা থাকিও কৰা নাই ; কিন্তু যি বেয়া তাক মই কৰিব ইচ্ছা
নাথকাতো কৰিছো। ২০গতিকে যি মই কৰিব ইচ্ছা নাই তাক
কৰো তেন্তে সেয়া মই কৰিছো এনে নহয়। কিন্তু যি পাপ
আমাৰ মাজত আছে সিয়ে এই মন্দ কৰ্ম্ম কৰায়।

২১গতিকে মই এই নিয়মটি লক্ষ্য কৰিছোঁ যে, যেতিয়া
মই সৎ কৰ্ম কৰিবলৈ ইচ্ছা কৰো তেতিয়া মন্দতা মোৰ
মাজত থাকে। ২২মোৰ অন্তৰে ঈশ্বৰৰ বিধান-ব্যৱস্থা ভাল
পায়। ২৩কিন্তু মই দেখা পাইছো যে মোৰ শৰীৰ মাজত আৰু
এটা বিধান-ব্যৱস্থাই কৰ্ম্ম কৰি আছে। আৰু সেই বিধান-
ব্যৱস্থাই মই গ্ৰহণ কৰা বিধান-ব্যৱস্থাৰ সৈতে যুদ্ধ কৰি
আছে। আৰু সেই আনতো বিধান ব্যৱস্থা যিয়ে মোৰ শৰীৰত
কাৰ্য্য কৰি আছে সেয়ে হল পাপৰ বিধান-ব্যৱস্থা আৰু মোক
বন্দী কৰি ৰাখিছে। ২৪কি দুৰ্ভগীয়া মানুহ মই! কোনে মোক
এই মৃত্যুৰ দেহৰ পৰা উদ্ধাৰ কৰিব। ২৫ঈশ্বৰক মই ধন্যবাদ
দিও কাৰণ তেওঁৰ অভিষিক্ত প্ৰভু যীচু খ্ৰীষ্টৰ দ্বাৰা আমালৈ
পৰিত্ৰাণৰ আনিলে।

এতেকে মনত মই ঈশ্বৰৰ বিধান-ব্যৱস্থাৰ দাস; কিন্তু
মানুহ হিচাপে দূৰ্বল হোৱা হেতুকে মই পাপ বিধানৰ দাস।

## আত্মাৰ পৰা জীৱন

৮ ১সেয়ে এতিয়া যিবিলাক যীচু খ্ৰীষ্টত আছে তেওঁলোক
বিচাৰত দোষী সাব্যস্ত নহব। ২কিয়নো খ্ৰীষ্ট যীচুত
আত্মাৰ যি বিধান-ব্যৱস্থাই জীৱন আনে, সিয়ে তোমাক[a] মুক্ত
কৰিলে। ই তোমাক মুক্ত কৰে সেই বিধান-ব্যৱস্থাৰ পৰা যি
পাপ আৰু মৃত্যুৰ কাৰণ হয়। ৩কিয়নো মানুহ হিচাপে আমি
দুৰ্বল হোৱাৰ বাবে বিধান-ব্যৱস্থা শক্তিহীন আছিল। কিন্তু
বিধান-ব্যৱস্থাই যি নোৱাৰিলে তাক ঈশ্বৰে সাধন কৰিলে;
তেওঁ তেওঁৰ নিজৰ পুত্ৰক সম্পূৰ্ণ আমাৰ দৰে মাংসিক শৰীৰ
যাক আমি পাপৰ অৰ্থে ব্যৱহাৰ কৰো তেনে শৰীৰ সাদৃশ্যৰে
এই পৃথিৱীলৈ পঠিয়ালে। ঈশ্বৰে তেওঁক পাপ মোচনৰ বলি
স্বৰূপে পঠালে। ঈশ্বৰে এইদৰে মানব ৰূপ জীৱনক পাপক
মৃত্যু দন্দ দিবৰ অৰ্থে ব্যৱহাৰ কৰিলে। ৪তেওঁ এইয়া কৰিলে
যাতে আমি বিধান-ব্যৱস্থাত কোৱাৰ দৰে ধাৰ্মিক হব পাৰো।
এতিয়া আমি আমাৰ দূৰ্বল শৰীৰ অনুসাৰে নহয় কিন্তু আত্মাৰ
অনুসাৰে জীয়াই আছো।

৫যিবিলাক লোকে মাংসিক শৰীৰ অনুসাৰে জীয়াই থাকে
তেওঁলোক কেৱল মাংসিক বিষয়ে ভাবে। কিন্তু যিবিলাক
পবিত্ৰ আত্মাৰ অনুসাৰে জীয়াই থাকে , তেওঁলোকে পবিত্ৰ
আত্মাই যি বিচাৰিছে সেই অনুসাৰে চিন্তা কৰে। ৬যদি
আমাৰ চিন্তা আমাৰ শৰীৰৰ দ্বাৰা নিয়ন্ত্ৰিত হয় তেন্তে
তাৰ ফল হয় আত্মিক মৃত্যু। কিন্তু যদি পবিত্ৰ আত্মাৰ দ্বাৰা
পৰিচালিত হয় তেন্তে তাৰ ফল হব জীৱন আৰু শান্তি। ৭ই
কিয় সত্য?কিয়নো যি মানুহৰ চিন্তা ধাৰা আমাৰ মাংসিক
শৰীৰৰ দ্বাৰা পৰিচালিত সিয়ে ঈশ্বৰ বিৰোধী, কিয়নো
তেওঁলোকে ঈশ্বৰৰ বিধান-ব্যৱস্থাৰ বশীভূত হবলৈ অস্বীকাৰ
কৰে। বাস্তৱিকতে সেই ব্যক্তি ঈশ্বৰৰ বিধান-ব্যৱস্থা বশীভূত
হবলৈ অসমৰ্থ। ৮যিবিলাক লোক মাংসিক শাৰীৰৰ দ্বাৰা
চালিত হয় তেওঁলোকে ঈশ্বৰক সন্তুষ্ট কৰিব নোৱাৰে।

৯অবশ্যে যদি ঈশ্বৰৰ আত্মাৰ তোমালোকৰ অন্তৰত
নিবাস কৰে তেন্তে তোমালোক তোমালোকৰ মাংসিক
শৰীৰ দ্বাৰা চালিত নোহোৱা, কিন্তু আত্মাৰ দ্বাৰা চালিত
হোৱা; কিন্তু যাৰ লগত খ্ৰীষ্টৰ আত্মাৰ নাই তেওঁ খ্ৰীষ্টৰ
নহয়। ১০পাপৰ যোগেদি তোমালোকৰ শৰীৰৰ মৃত্যুৰ
অধীন হৈছে। কিন্তু খ্ৰীষ্ট যদি তোমালোকৰ অন্তৰত থাকে,
তেন্তে সেই আত্মাই তোমালোকক জীৱন দান কৰে,
কিয়নো খ্ৰীষ্টত তোমালোক ঈশ্বৰৰ সাক্ষ্যতে ধাৰ্ম্মিক বুলি
গণিত হৈছা। ১১ঈশ্বৰে যীচুক মৃত বিলাকৰ মাজৰ পৰা পৰা
জীৱিত কৰিছে। আৰু ঈশ্বৰৰ আত্মা যদি তোমালোকৰ
মাজত নিবাস কৰে তেন্তে তোমালোকৰ মৰণশীল শৰীৰকো
জীয়াব। হয়, ঈশ্বৰে যীচুক মৃত বিলাকৰ মাজৰ পৰা জীৱিত
কৰিছে, তেওঁৰ যি আত্মা তোমালোকৰ মাজত আছে সেই
আত্মাৰ দ্বাৰাই তোমালোকক জীৱিত কৰিব।

১২সেয়ে, মোৰ প্ৰিয় ভাই আৰু ভনী বিলাক, আমি
কেতিয়াও শাৰীৰিক ইচ্ছা পূৰণৰ অৰ্থে আমাৰ দূৰ্বল
মাংসিক শৰীৰৰ দ্বাৰাই পৰিচালিত নহম। ১৩কিয়নো যদি
তোমালোক শৰীৰৰ স্পৰ্কে জীয়াই থাকিবলৈ ইচ্ছা কৰা
তেন্তে তোমালোক আত্মিক ভাবে মৰিবা। কিন্তু পবিত্ৰ আত্মাৰ
সহায়েৰে যদি শৰীৰৰ মন্দ কৰ্ম্মৰ পৰা বিৰত থাকা তেন্তে
জীৱন পাবা।

১৪ঈশ্বৰৰ প্ৰকৃত সন্তান সেই সকল যিয়ে ঈশ্বৰৰ আত্মাৰ
দ্বাৰা পৰিচালিত হয়। ১৫আমি যি আত্মা পালো সি এনে আত্মা
নহয় যিয়ে আমাক দাস কৰিব আৰু পুনৰায় ভয়ৰ কাৰণ হব।

[a] **৮:২ কোনো** গ্ৰীক পুস্তকত কোৱা হৈছে "মোক." যেনে পিচৰ বাক্য শাৰীত

কিন্তু আমি যি আত্মা পালো তাৰ দ্বাৰাই ঈশ্বৰৰ তোলনীয়া
সন্তান হলো; আৰু সেই আত্মা দ্বাৰাই আমি, “হে আব্বা,”
“হে পিতৃ” বুলি মাতো। ১৬পবিত্ৰ আত্মাই নিজেও আমাৰ
আত্মাৰ সৈতে সাক্ষ্য দিয়ে আৰু আমি যে ঈশ্বৰৰ সন্তান
তাক নিশ্চত কৰে। ১৭আৰু ঈশ্বৰৰ সন্তান হিচাপে , ঈশ্বৰে
তেওঁ লোকবিলাকৰ বাবে যি আশীৰ্বাদ আছে তাক আমিও
লাভ কৰিম। তেওঁ আমাক সেই সকলো দিব যি তেওঁ খ্ৰীষ্টক
দিছিল। যিদৰে লগত উত্তৰাধিকাৰী, যদি অবশ্যে খ্ৰীষ্টে
যেনেকৈ দুঃখভোগ কৰিছিল, তেনেকৈ আমিও তেওঁৰ
সৈতে দুঃখভোগৰ সহভাগী হওঁ তেতিয়া আমি খ্ৰীষ্টৰ
মহিমান্বিতৰো সহভাগী হম।

### ভবিষ্যতে আমি গৌৰৱান্বিত হম

১৮এতিয়া আমি দুখ ভোগ কৰিছোঁ; কিন্তু আমাৰ বাবে
যি মহিমা প্ৰকাশ হব তাৰে সৈতে বৰ্তমান সময়ৰ এই
দুঃখভোগ তুলনাৰ যোগ্য নহয়। ১৯আনকি ঈশ্বৰৰ গোটেই
সৃষ্টিয়ে উৎকণ্ঠা আৰু গভীৰ প্ৰতীক্ষাৰে সেই সময়ৰ বাবে
ৰৈ আছে ঈশ্বৰৰ প্ৰকৃত সন্তান বিলাক প্ৰকাশিত হোৱালৈ।
২০ঈশ্বৰৰ অনুমতিত গোটেই সৃষ্টিখন এইদৰে তাৰ লক্ষ্য
সম্পূৰ্ণ কৰাত ব্যৰ্থতাৰ হৈছে। যদিও এইটো তাৰ নিজৰ
ইচ্ছাৰে নহয় কিন্তু ঈশ্বৰে ইয়াক কৰিলে এই আশাৰে :
২১যাতে এই সৃষ্টিখন এদিনাখন এই অবক্ষয়ৰ দাসত্বৰ পৰা
মুক্ত হব। ঈশ্বৰে বিচাৰে যাতে সৃষ্টিখনো ঈশ্বৰৰ সন্তান
বিলাকৰ দৰে মহিমাময় স্বাধীনতাৰ অংশীদাৰ হয়।
২২আমি জানো যে যেনেকৈ এগৰাকী নাৰীয়ে সন্তান প্ৰসৱ
যন্ত্ৰণা ভোগ কৰে তেনেকৈ এতিয়া পৰ্য্যন্ত গোটেই সৃষ্টিয়ে
যন্ত্ৰণাত কেকাই আছে। ২৩কেৱল সৃষ্টিয়ে নহয়, আমিও
আত্মিক যন্ত্ৰণাত কেকাই আছো। ঈশ্বৰৰ প্ৰতিজ্ঞা অনুসাৰে
পবিত্ৰ আত্মা প্ৰথম ফলৰূপে পাইছো। গতিকে এতিয়া
আমি আমাৰ শৰীৰ মুক্তিলাভৰ দ্বাৰাই ঈশ্বৰৰ সন্তান হোৱাৰ
গভীৰ প্ৰতীক্ষাত ৰৈ আছো। ২৪সেই আশাৰে আমাক উদ্ধাৰ
কৰিলে। এইটো এনেকুৱা নহয় যাক আমি দেখা পাইছো।
যদি আমি দেখা পালো হয় ই আশা নহল হয়। আমি এনে
এটি বস্তু পাবৰ বাবে আশা নকৰো যিটো ইতিমধ্যে আমাৰ
লগত আছে। ২৫কিন্তু আমি যি এতিয়াও পোৱা নাই, আৰু
তাক পাবলৈ আমি ধৈৰ্য্যৰে সৈতে ৰৈ আছো।
২৬একেদৰেই পবিত্ৰ আত্মাও আমাক সহায় কৰে। আমি
অতি দুৰ্বল, তথাপিও আমাৰ দুৰ্বলতাত পবিত্ৰ আত্মাই
আমাক সহায় কৰে। আমি নজানো আমি কি দৰে প্ৰাৰ্থনা
কৰিব লাগে, সেয়ে স্বয়ং পবিত্ৰ আত্মাই আমাৰ হৈ আবেদন
জনাই থাকে। তেওঁ ঈশ্বৰৰ ওচৰত আমি প্ৰকাশ কৰিব
নোৱাৰা যন্ত্ৰণা সমূহ ব্যক্ত কৰে। ২৭মানুহৰ অন্তৰত কি আছে
তাক ঈশ্বৰে ইতিমধ্যে জানে। আৰু ঈশ্বৰে পবিত্ৰ আত্মাই যি
কৈছে তাক বুজি পায়, কিয়নো পবিত্ৰ আত্মাই তেওঁৰ লোক
সমুহৰ হৈ ঈশ্বৰৰ ইচ্ছানুসাৰে সেই আবেদন কৰে।
২৮আমি জানো যে যিবিলাকে তেওঁক ভাল পায় ঈশ্বৰে
সকলো বিষয়ত তেওঁলোকৰ মঙ্গলৰ বাবে কৰ্ম্ম কৰে। এই
সকল লোকক ঈশ্বৰে বাচি লৈছে, কাৰণ এইয়া তেওঁৰ
পৰিকল্পনা। ২৯জগত সৃষ্টিৰ পূৰ্বেই ঈশ্বৰে তেওঁবিলাকক
জানিছিল। আৰু তেওঁলোকক তেওঁৰ পুত্ৰৰ দৰে কৰিবৰ
মনস্থ কৰিলে। এইদৰে যীচু সেই ভাই আৰু ভনী সকলৰ
মাজত প্ৰথমজাত হল। ৩০ঈশ্বৰে তেওঁবিলাকক তেওঁ
সন্তানৰ দৰে কৰিবৰ পৰিকল্পনা কৰিছিল। তেওঁ যিবিলাকক
আহ্বান কৰিলে তেওঁলোকক ধাৰ্মিক বুলি গন্য কৰিলে; আৰু
তেওঁবিলাকক ধাৰ্মিক গন্য কৰাৰ পিছত তেওঁলোকক তেওঁ
গৌৰৱান্বিত কৰিলে।

### ঈশ্বৰৰ প্ৰেম

৩১এই সকলো দেখি আমি কি কম? যদি ঈশ্বৰ আমাৰ
পক্ষে তেতিয়া আমাৰ বিপক্ষে কোন হব পাৰে? ৩২যিজনে
তেওঁৰ নিজ পুত্ৰকেই আমাৰ বাবে শোধাই দিলে।
ঈশ্বৰে আমাৰ সকলোৰে বাবে তেওঁৰ পুত্ৰ দান কৰিলে।
গতিকে তেওঁ সকলো অনুগ্ৰহ দান নকৰিবনে? ৩৩ঈশ্বৰে
যিবিলাকক মনোনীত কৰিছে, তেওঁলোকৰ বিৰুদ্ধে কোনে
অভিযোগ আনিব? কোনো এজনেও নোৱাৰে! কাৰণ
ঈশ্বৰে তেওঁলোকক ধাৰ্মিক কৰিছে। ৩৪ঈশ্বৰৰ মনোনীত
লোকসকলক দোষী বুলি কোনে কব পাৰে? কোনো
এজনেও নোৱাৰে! খ্ৰীষ্ট যীচু সেইজনা যিজন মৰিল।
ইয়াতকৈও গুৰুত্বপূৰ্ণ এই যে তেওঁক মৃত বিলাকৰ মাজৰ
পৰা জীৱিত কৰাও হৈছিল। এতিয়া তেওঁ ঈশ্বৰৰ সোঁহাতে
বহি আছে আৰু আমাৰ হৈ ঈশ্বৰৰ ওচৰত নিবেদন কৰি
আছে। ৩৫খ্ৰীষ্টৰ প্ৰেম পৰা কোনে আমাক বিচ্ছিন্ন কৰিব
পাৰ? দুখ বা দুৰ্দশা বা তাড়নাই আমাক তেওঁৰ প্ৰেমৰ পৰা
বিচ্ছিন্ন কৰিব পাৰিবনে? দুৰ্ভিক্ষ বা বস্ত্ৰহীনতা বা বিপদ এনে
কি প্ৰাণসংশয়ে, আমাক তেওঁৰ প্ৰেমৰ পৰা বিচ্ছিন্ন কৰিব
পাৰিবনে? ৩৬যেনেকৈ শাস্ত্ৰত লিখা আছে:

> “আমি তোমাৰ বাবে সকলো সময়ত মৃত্যুবৰণ কৰিছোঁ।
> লোকসমূহে আমাক কাটিবলৈ নিয়া মেৰৰ নিচিনা
> গণিত কৰে।” *গীতমালা ৪৪:২২*

৩৭কিন্তু সেই জন ঈশ্বৰ, যিজনে আমাক প্ৰেম কৰে
তেওঁৰ দ্বাৰা আমি সেই সকলোৰ পৰা সম্পূৰ্ণকৈ বিজয়লাভ
কৰিলো। ৩৮হয়, মই নিশ্চিয়কৈ জানিলো যে কোনেও
ঈশ্বৰৰ প্ৰেমৰ পৰা আমাক বিচ্ছিন্ন কৰিব নোৱাৰে, মৃত্যু বা
জীৱন, কোনো স্বৰ্গদূত বা প্ৰভুত্বকাৰী আত্মাই। বৰ্তমান বা
ভবিষ্যত বিষয়, ৩৯স্বৰ্গৰ পৰা বা তলৰ পৰা বা সৃষ্টিৰ একোৱে
আমাক সেই প্ৰেম যাক ঈশ্বৰে প্ৰভু যীচু খ্ৰীষ্টত দেখুৱালে
তাৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰে।

### ঈশ্বৰ আৰু যিহুদী সমাজ

৯ ১মই খ্ৰীষ্টত আছোঁ আৰু তোমাক সত্য কথা কৈছো।
মই মিছা কোৱা নাই, পবিত্ৰ আত্মাৰ দ্বাৰা পৰিচালিত
আমাৰ বিবেকও কয় যে মই মিছা কোৱা নাই। ২মোৰ

স্বজাতি লোকসকলৰ প্ৰতি মোৰ অন্তৰত সদায় গভীৰ দুখ আৰু বেদনা অনুভৱ কৰিছোঁ। ³তেওঁলোক মোৰ ভাই আৰু ভনী, তেওঁলোকক যদি মই সহায় কৰিব পাৰিলোঁহেতেন! মই যেন শাপগ্ৰস্ত হলো হয় আৰু খ্ৰীষ্ট পৰা বিচ্ছিন্ন হলো হয় যদি ইয়ে তেওঁলোকৰ সহায়ক হল হয়। ⁴তেওঁলোক ইস্ৰায়েল বংশৰ লোক। ঈশ্বৰৰ মনোনীত সন্তান। ঈশ্বৰৰ মহিমা তেওঁলোকত আছিল আৰু তেওঁ তেওঁলোকক তোলনীয়া পুত্ৰ হোৱাৰ অধিকাৰ দিছে, নিজৰ মহিমা দেখাইছে, ধৰ্ম নিয়ম দিছে। ঈশ্বৰে তেওঁবিলাকক মোচিৰ বিধান-ব্যৱস্থা , মন্দিৰ উপাসনা আৰু তেওঁৰ প্ৰতিশ্ৰুতি দিছিল। ⁵সেই লোকসমূহ আমাৰ মহান পূৰ্ব্বপুৰুষসকলৰ বংশধৰ আৰু পাৰ্থিব জগতত তেওঁলোক খ্ৰীষ্টৰ পৰিয়াল, যি জন সৰ্ব্বোপৰি ঈশ্বৰ। তেওঁৰ প্ৰশংসা যুগে যুগে হওক!আমেন।

৬মই এই কথা কোৱা অৰ্থ এইটো নহয় যে ঈশ্বৰে যি প্ৰতিশ্ৰুতি তেওঁলোকৰ বাবে কৰিছিল তাক তেওঁ পূৰ্ণ কৰা নাই। কিন্তু ইস্ৰায়েলৰ কিছু লোকহে সত্য ইস্ৰায়েলৰ লোক হয়। ৭আৰু থিক একে দৰে আব্ৰাহামৰ বংশৰ সকলো যে আব্ৰাহামৰ সত্য সন্তান এনে নহয়; কিয়নো ঈশ্বৰে কৈছিল, "কেৱল ইচাহাকৰ দ্বাৰাই যি আহিব তেওঁলোকহে তোমাৰ বৈধ পুত্ৰ হব।"[a] ৮ইয়াৰ অৰ্থ এই যে শাৰীৰিক ভাবে জন্মপ্ৰাপ্ত আব্ৰাহামৰ সকলো সন্তানে ঈশ্বৰৰ সন্তান নহয়। আব্ৰাহামৰ প্ৰকৃত বংশধৰ সেইসকল যিবিলাক আব্ৰাহামৰ ওচৰত ঈশ্বৰৰ প্ৰতিশ্ৰুতি অনুসাৰে জন্মলাভ কৰিলে। ৯আৰু ঈশ্বৰে আব্ৰাহামক এই প্ৰতিশ্ৰুতি দিছিল: "নিৰুপিত সময়ত মই পুনৰবাৰ আহিম, আৰু তেতিয়া চাৰাৰ এজন পুত্ৰ হব।"[b]

১০আৰু সেয়ে সকলো নহয়, ৰিবেকাও এজন মানুহৰ কাষত থাকি সন্তান পাইছিল, যি আমাৰ পূৰ্বপুৰুষ ইচাহাক। ১১কিন্তু সেই সন্তান দুটিৰ জন্মৰ পূৰ্বেই আৰু ভাল বা বেয়া একো নৌ কৰোতেই ঈশ্বৰে ৰিবেকাক কৈছিল: "তোমাৰ সন্তানৰ মাজত জ্যেষ্ঠ জন কনিষ্ঠ জনৰ দাস হব।"[c] ১২তেওঁলোকৰ জন্মৰ পূৰ্বেই ঈশ্বৰে এই কথা জানিছিল কিয়নো ঈশ্বৰৰ সংকল্প অনুসাৰে তেওঁ মনোনীত হৈছিল। তেওঁলোকৰ কাৰ্য্য বা কৰ্মৰ বাবে নহয় কিন্তু এই বাবে যে ঈশ্বৰে তেওঁক আহব্বান কৰিছিল। ১৩আৰু শাস্ত্ৰত যেনেকৈ কৈছে: "মই যাকোবক প্ৰেম কৰিলো, কিন্তু এচৌক ঘিণ কৰিলো।"[d]

১৪তেন্তে আমি কি কম? ঈশ্বৰে কি অন্যায় কৰিছে? আমি তাক কব নোৱাৰো। ১৫ঈশ্বৰে, মোচিক কৈছিল, "মোৰ যিজনক দয়া কৰিব ইচ্ছা, তেওঁক দয়া কৰিম। যিজনক মৰম কৰিব ইচ্ছা, তেওঁক মই মৰম কৰিম।"[e] ১৬সেয়ে ঈশ্বৰে সেইজনকহে মনোনীত কৰে যিজনক তেওঁ দয়া কৰিব ইচ্ছা কৰে। সেয়ে তেওঁৰ মনোনীত মানুহৰ ইচ্ছাৰ বা চেষ্টাৰ ওপৰত নিৰ্ভৰ নকৰে। ১৭শাস্ত্ৰত লিখা আছে ঈশ্বৰে ফৰৌণক উদ্দেশ্য কৰি কৈছিল, "তুমি মোৰ বাবে এই কৰ্ম্ম কৰিবৰ কাৰণে মই তোমাক ৰজা কৰিলো। যাতে তোমাৰ মাজৰ পৰা মই মোৰ ক্ষমতা প্ৰকাশ কৰিব পাৰো আৰু গোটেই জগতত মোৰ নাম ঘোষনা হয়।"[f]

১৮সেয়েহে ঈশ্বৰে যিজনক দয়া কৰিব বিচাৰিছে, তেওঁক দয়া কৰে আৰু যাৰ অন্তৰ ঈশ্বৰে কঠোৰ কৰিব বিচাৰিছে, তেওঁৰ অন্তৰ কঠোৰ কৰিব পাৰে।

১৯তেন্তে তোমালোকে হয়তু মোক সুধিব পাৰা: "যদি ঈশ্বৰে সকলো নিয়ন্ত্ৰন কৰে তেন্তে আমি কি কৰিম, আমাৰ পাপৰ বাবে তেওঁ আমাক কিয় দোষী কৰে?" কিয়নো ঈশ্বৰৰ ইচ্ছা কোনে প্ৰতিৰোধ কৰিব পাৰে? ২০কিন্তু তুমি কোন? ঈশ্বৰক প্ৰশ্ন কৰিবৰ কোনো অধিকাৰ তোমাৰ নাই। মাটিৰ পাত্ৰই জানো নিৰ্মাণকৰ্তাক প্ৰশ্ন কৰিব পাৰে? মাটিৰ পাত্ৰই কেতিয়াও নিৰ্মাতাক নোসোধে, "তুমি কিয় মোক এনে দ্বৰে নিৰ্মান কৰিলা?" ২১যি জনে মাটিৰ পাত্ৰ নিৰ্মান কৰে তেওঁ যি কোনো ধৰণৰ পাত্ৰ নিৰ্মান কৰিব পাৰে। তেওঁ একে মাটিৰে বিভিন্ন ধৰণৰ পাত্ৰ নিৰ্মান কৰিব পাৰে। তেওঁ হয়তু এটি বিশেষ ব্যৱহাৰৰ বাবে আৰু আনটি সাধাৰণ ব্যৱহাৰৰ বাবে নিৰ্মান কৰিব পাৰে।

২২ঈশ্বৰে থিক একে দৰেই কাৰ্য্য কৰে। তেওঁ যদিও মানুহৰ ওপৰত তেওঁৰ ক্ৰোধ প্ৰকাশ কৰিবৰ আৰু তেওঁৰ ক্ষমতাৰ স্পষ্টকৈ সাক্ষ্য দিব বিছাৰিছিল, তথাপি ঈশ্বৰে তেওঁৰ ক্ৰোধৰ পাত্ৰ সেই লোকসমুহৰ প্ৰতি অসীম ধৈৰ্য্য দেখুৱাইছে। ২৩তেওঁ ধৈৰ্য্যৰে অপেক্ষা কৰি আছে যাতে সেই দয়াৰ পাত্ৰ, যিবিলাকক যি মহিমা প্ৰাপ্তিৰ যোগ্য কৰি তৈয়াৰ কৰিছিল। ঈশ্বৰে ইতিমধ্যেই তেওঁলোকক তেওঁৰ গৌৰৱ ঐশ্বৰ্য্যৰ সহভাগী হবলৈ প্ৰস্তুত কৰিলে। ২৪আমিও সেই লোক, ঈশ্বৰে যিবিলাকক কেৱল যিহুদী বিলকৰ মাজৰ পৰাই নহয় কিন্তু অযিহুদীৰ মাজৰ পৰাও আহ্বান কৰিছে। ২৫এই বিষয়ে হোচেয়া পুস্তকত লিখা আছে:

"যিবিলাক আমাৰ লোক নহয়,
তেওঁলোকক মই নিজৰ লোক বুলিম,
যিবিলাকক মই প্ৰেম কৰা নাছিলো
তেওঁলোকক মই প্ৰেম কৰিছো বুলি কম।"

*হোচেয়া ২:২৩*

২৬ "আৰু যি ঠাইত ঈশ্বৰে আগতে কৈছিল
তোমালোক 'মোৰ লোক নোহোৱা',
তাত তেওঁলোকক জীৱনময় ঈশ্বৰৰ সন্তান বুলি কোৱা যাব।"

*হোচেয় ১:১০*

২৭যিচয়াই ইস্ৰায়েল সম্বন্ধে ঘোষনা কৰিছিল:

[a] **৯:৭** উদ্ধৃতি আদিপুস্তক ২১:১২
[b] **৯:৯** উদ্ধৃতি আদিপুস্তক ১৮:১০-১৪
[c] **৯:১১-১২** উদ্ধৃতি আদিপুস্তক ২৫:২৩
[d] **৯:১৩** উদ্ধৃতি মলাখী ১:২-৩
[e] **৯:১৫** উদ্ধৃতি যাত্ৰা পুস্তক ৩৩:১৯
[f] **৯:১৭** উদ্ধৃতি যাত্ৰা পুস্তক ৯:১৬

"ইস্রায়েলৰ বহুত সংখ্যক লোক আছে,
যদিও ইস্রায়েলৰ সংখ্যা সমুদ্রত তীৰৰ বালিৰ দৰে
অগনন হয়,
তথাপি তেওঁলোকৰ মাজৰ পৰা অৱশিষ্ট ভাগে
পৰিত্ৰান পাব।
২৮ হয়, প্ৰভুৱে এই পৃথিৱীৰ লোকসমূহৰ বিচাৰ ,
শীঘ্ৰেই শেষ কৰিব।" *যিচয়া ১০: ২২-২৩*

২৯এই ধৰণৰ কথা যিচয়াই আগেয়ে কৈছিল:

"সৰ্বশক্তিমান প্ৰভুৱে যদি
আমাৰ বাবে কিছু লোকক জীয়াই
নাৰাখিলেহেঁতেন
তেন্তে ইমানদিনে আমি চদোমৰ তুল্য হলো হেতেঁন,
আৰু ইমানদিনে ঘমোৰাৰ তুল্য হলোহেঁতেন।"
*যিচয়া ১:৯*

৩০তেন্তে এইবোৰৰ অৰ্থ কি? ইয়াৰ অৰ্থ এই যে , যিবিলাক অযিহুদী তেওঁলোকক ঈশ্বৰে ধাৰ্মিক প্ৰতিপন্ন কৰিলে কেৱল তেওঁলোকৰ বিশ্বাসৰ কাৰণে, যদিও তেওঁলোকে ঈশ্বৰৰ আগত ধাৰ্মিক প্ৰতিপন্ন হোৱাৰ কোন চেষ্টা কৰা নাছিল। ৩১আৰু ইস্রায়েলৰ লোকসকল যিয়ে বিধান-ব্যৱস্থা পালনৰ দ্বাৰা ধাৰ্মিক প্ৰতিপন্ন হোৱাৰ চেষ্টা কৰিলে, তেওঁলোক কৃতকাৰ্য্য নহল। ৩২কিয় নহল? কিয়নো তেওঁলোকে কৰ্ম্মৰ দ্বাৰাই ধাৰ্মিক প্ৰতিপন্ন হোৱাৰ চেষ্টা কৰিলে। ধাৰ্মিক প্ৰতিপন্ন হোৱাৰ বাবে তেওঁলোকে ঈশ্বৰৰ ওপৰ ভাৰসা নকৰিলে। তেওঁলোকে ব্যাঘাতজনক শিলত উজুতি খালে। ৩৩শাস্ত্ৰত যেনেকৈ এই শিলৰ কথা লিখা আছে:

"চোৱা, মই চিয়োনত এটি শিল ৰাখিছো যিয়ে মানুহক
উজুতি খুউৱাব।
ই এক বিঘ্নজনক শিল।
কিন্তু যিবিলাকে তেওঁৰ ওপৰ বিশ্বাস
কৰিব তেওঁলোক কেতিয়াও লাজত নপৰিব।"
*যিচয়া ৮:১৪; ২৮:১৬*

**১০** ১হে ভাই আৰু ভনী সকল, মোৰ হৃদয়ৰ একান্ত কামনা এই যে যাতে সকলো যিহুদী লোকে উদ্ধাৰ পায়। ঈশ্বৰৰ ওচৰত এই মোৰ প্ৰাৰ্থনা। ২মই তেওঁলোকৰ বিষয়ে এই কথা কব পাৰো : তেওঁলোকে সঁচাকৈয়ে ঈশ্বৰক অনুসৰণ কৰিবলে বহু যত্ন কৰে, কিন্তু তেওঁলোকে শুদ্ধ বাট চিনি নাপায়। ৩যি বাটৰ দ্বাৰাই ঈশ্বৰে মানুহক ধাৰ্মিক প্ৰতিপন্ন কৰে তেওঁলোকে সেই বাট নাজানে। আৰু তেওঁলোক নিজৰ প্ৰচেষ্টাত ঈশ্বৰৰ সাক্ষাতে ধাৰ্মিক প্ৰতিপন্ন হব বিচাৰে। সেয়ে ঈশ্বৰে বাটৰ দ্বাৰা মানুহক ধাৰ্মিক প্ৰতিপন্ন কৰে, তাক তেওঁলোক গ্ৰহণ নকৰে। ৪খ্ৰীষ্টৰ আগমনে বিধান-ব্যৱস্থাৰ কাল শেষ কৰিলে। এতিয়া যিবিলাকে তেওঁক বিশ্বাস কৰে সেইসকল ঈশ্বৰৰ সাক্ষাতে ধাৰ্মিক বুলি প্ৰতিপন্ন হব।
৫বিধান-ব্যৱস্থা পালন কৰি ধাৰ্মিক প্ৰতিপন্ন হোৱা বিষয়ে মোচিয়ে এইদৰে কৈছে , "যি ব্যক্তিয়ে এই বিধান-ব্যৱস্থাবোৰ পালন কৰিব তেওঁ তাৰ যোগেদি জীৱন পাব।"[a]
৬কিন্তু যি ধাৰ্মিকতা ঈশ্বৰক বিশ্বাস কৰাৰ যোগেদি হয় তেওঁৰ সম্বন্ধে শাস্ত্ৰত কৈছে: "তুমি তোমাৰ হৃদয়ক নকবা , 'ওপৰত স্বৰ্গলৈ কোন যাব?" (ইয়াৰ অৰ্থ, "খ্ৰীষ্টক কোনে পৃথিৱীলৈ নমাই আনিব?") ৭আৰু এইবুলিও নকবা "পৃথীৱিৰ তললৈ কোন যাব?" (ইয়াৰ অৰ্থ, "মৃত বিলাকৰ মাজৰ পৰা কোনে খ্ৰীষ্টক ওপৰলৈ আনিব?")
৮শাস্ত্ৰই এই দৰে কয়: "ঈশ্বৰৰ শিক্ষা তোমাৰ কাষত আছে; ই তোমাৰ মূখ আৰু হৃদয়ত আছে।"[b] সেই শিক্ষা হল বিশ্বাসৰ শিক্ষা যি আমি লোকসমূহৰ আগত কওঁ। ৯তুমি যদি নিজ মূখে যীচুক প্ৰভু বুলি স্বীকাৰ কৰা, আৰু অন্তৰত বিশ্বাস কৰা যে ঈশ্বৰে তেওঁক মৃত বিলাকৰ মাজৰ পৰা জীৱিত কৰিছে তেন্তে তুমি উদ্ধাৰ পাবা। ১০হয়, আমি যীচুক অন্তৰত বিশ্বাস কৰো, আৰু সেয়েহে আমি ঈশ্বৰৰ আগত ধাৰ্মিক বুলি গণিত হলো। আৰু আমি মুকলিকৈ এই কথা স্বীকাৰ কৰাত আমি উদ্ধাৰ পালো।
১১হয়, শাস্ত্ৰই এই কথা কৈছে : "যি খ্ৰীষ্টত বিশ্বাস কৰে তেওঁ কেতিয়াও লাজত নপৰিব।"[c] ১২এই ক্ষেত্ৰত যিহুদী আৰু অযিহুদীৰ মাজত কোন পাৰ্থক্য নাই, একেদৰেই প্ৰভু সকলোৰে প্ৰভু। যিমান লোকে তেওঁক প্ৰাৰ্থনা কৰে সেই সকলোৰে ওপৰত তেওঁ প্ৰচুৰ আৰ্শীবাদ বাকি দিয়ে। ১৩হয়, শাস্ত্ৰত কৈছে, "যি কোনোৱে তেওঁত বিশ্বাস কৰে উদ্ধাৰ পাবা।"[d]
১৪কিন্তু যি বিলাকে তেওঁক বিশ্বাস কৰা নাই, তেওঁৰ নাম কেনেকৈ লব? আৰু যি বিলাকে তেওঁৰ বিষয়ে শুনাই নাই, তেওঁত কি দৰে বিশ্বাস কৰিব? আৰু কোনোৱে তেওঁবিলাকক উপদেশ নিদিলে তেওঁবিলাকে কেনেকৈ শুনিবৈল পাব?।" ১৫আৰু উপদেশক বিলাকক পঠোৱা নহলে তেওঁলোক কেনেকৈ যাব? যেনেকৈ শাস্ত্ৰত লিখা আছে "শুভবাৰ্ত্তা লৈ অনা সকলৰ চৰণ কেনে সুন্দৰ।"[e]
১৬কিন্তু সকলোৱে সেই শুভৱাৰ্তা গ্ৰহণ নকৰিলে। যিচয়াই ঠিকেই কৈছিল, "প্ৰভু আমি যি কলো তাক কোনে বিশ্বাস কৰিলে।"[f] ১৭গতিকে শুভৱাৰ্তা শুনাৰ যোগেদি বিশ্বাস হয়। আৰু যি কোনোৱে শুভৱাৰ্তা শুনিবলৈ পায় তেওঁ খ্ৰীষ্টৰ বিষয়ে শুনে।
১৮কিন্তু মই সুধিব বিচাৰো, "লোকসমূহে কি তেওঁৰ

[a] **১০:৫** উদ্ধৃতি লেবীয়া ১৮:৫
[b] **১০:৬-৮** উদ্ধৃতি দ্বিতীয় বিবৰণ ৩০:১২-১৪
[c] **১০:১১** উদ্ধৃতি যিচয়া ২৮:১৬
[d] **১০:১৩** উদ্ধৃতি যোয়েল ২:৩২
[e] **১০:১৫** উদ্ধৃতি যিচয়া ৫২:৭
[f] **১০:১৬** উদ্ধৃতি যিচয়া ৫৩:১

শুভবাৰ্তা শুনিবলৈ পোৱা নাই নেকি?” হয়, তেওঁলোক
নিশ্চয়কৈ শুনিছে এই বিষয়ে শাস্ত্ৰই কয়:

“তেওঁলোকৰ মাত পৃথিৱীৰ চুকে কোণে পাইছে,
তেওঁলোকৰ বাক্য পৃথিৱীৰ সৰ্বত্ৰ ব্যাপি গল।”

*গীতমালা ১৯:৪*

১৯আকৌ মই কওঁ, “ইস্ৰায়েলৰ লোক সকলে কি বুজি
পোৱা নাই?” হয়, তেওঁলোক বুজি পাইছিল। ঈশ্বৰৰ হৈ
প্ৰথমে মোচিয়ে এই কথা কৈছিল:

“যিবিলাক জাতি বুলি গন্য নহয়, এনে লোকসমূহৰ
দ্বাৰা মই তোমালোকৰ ঈৰ্ষা জন্মাম।
আৰু নিৰ্বোধ জাতিৰ দ্বাৰাই তোমালোকৰ খং
তোলাম।” *দ্বিতীয় বিবৰণ ৩২:২১*

২০তেতিয়া যিচয়াই ঈশ্বৰৰ হৈ যথেষ্ট সাহসেৰে সৈতে কলে:

“যিবিলাকে মোক বিচাৰ নাই
সেইসকলে মোক পাইছে;
আৰু যিবিলাকে মোৰ বিষয়ে সোধা নাই তেওঁলোকৰ
কাষত মই নিজকে প্ৰকাশ কৰিছো।”

*যিচয়াই ৬৫:১*

২১কিন্তু ইস্ৰায়লৰ সম্বন্ধে ঈশ্বৰে কৈছে,

“মই গোটেই দিন আজ্ঞা নমনা আৰু বিৰোদ্ধীবোৰৰ
বাবে দুই হাত মেলি অপেক্ষা কৰিছোঁ।”

*যিচয়াই ৬৫:২*

## ঈশ্বৰে নিজ লোকক পাহৰা নাই

১১ ১গতিকে মই সুধিছু , “ঈশ্বৰে কি তেওঁৰ
লোকসমূহক ত্যাগ কৰাৰ সিদ্ধান্ত ললে নেকি?”
নিশ্চয়কৈ নাই, কিয়নো মইও এজন ইস্ৰায়েলী হও। মই
আব্ৰাহামৰ বংশৰ, বেনজামিন গোষ্ঠীৰ এজন ইস্ৰায়েলী।
২ইস্ৰায়েলী জাতিৰ জন্মৰ পূৰ্বেই ঈশ্বৰে তেওঁবিলাকক
নিজৰ লোক হিচাপে মনোনীত কৰিছিল। তেওঁলোকক
তেওঁ কেতিয়াও ত্যাগ কৰিম বুলি কোৱা নাছিল। শাস্ত্ৰত
এলিয়া সম্বন্ধে কি কৈছে তোমালোকে তাক নিশ্চয় কৈ
জানা। শাস্ত্ৰত এলিয়াই ইস্ৰায়েলৰ বিৰুদ্ধী সকলৰ বাবে
ঈশ্বৰৰ ওচৰত যেতিয়া প্ৰাৰ্থনা কৰিছিল, ৩তেতিয়া তেওঁ
কলে, “প্ৰভু তেওঁলোকে তোমাৰ ভাৱবাদীক বধ কৰিলে
আৰু তোমাৰ সকলো যজ্ঞবেদী বিনষ্ট কৰিলে। ময়েই
একমাত্ৰ ভাৱবাদী এতিয়াও জীৱিত আছোঁ আৰু এতিয়া
তেওঁলোকে মোৰ প্ৰাণনাশৰ চেষ্টা কৰিছে।”[a] ৪কিন্তু ঈশ্বৰে
তেতিয়া এলিয়াক কি উত্তৰ দিছিল? ঈশ্বৰে কলে, “মই
এতিয়াও মোৰ বাবে সাত হাজাৰ মানুহ থৈছো, যিবিলাকে
কেতিয়াও বাল দেৱতাক প্ৰনিপাত কৰা নাই।”[b]
৫ঠিক একেদৰেই এতিয়াও ঈশ্বৰে অনুগ্ৰহেৰে কিছুমান
লোকক মনোনীত কৰিছে। ৬আৰু যদি ঈশ্বৰে তেওঁলোকক
অনুগ্ৰহেৰে মনোনীত কৰিছে, তেন্তে তেওঁলোকৰ কৰ্মৰ
যোগেদি তেওঁলোক ঈশ্বৰৰ লোক বুলি গন্য হোৱা নাই।
কিয়নো যদি তেওঁলোকৰ কৰ্মৰ যোগেদি ঈশ্বৰৰ লোক বুলি
গন্য হল হয়, তেন্তে ঈশ্বৰৰ যি অনুগ্ৰহ ৰূপ দান সি আৰু
দান নহল হয়।
৭গতিকে এইদৰে ঘটিল: ইস্ৰায়েলৰ লোকসমূহে ঈশ্বৰৰ
পৰা আশীৰ্বাদ বিচাৰিলে, কিন্তু সকলোৱে তাক নাপালে।
কিন্তু ঈশ্বৰে যিবিলাকক মনোনীত কৰিলে, সেইসকলে
তেওঁৰ পৰা আশীৰ্বাদ লাভ কৰিলে, কিন্তু বাকী সকলে
তেওঁলোকৰ অন্তৰ কঠোৰ কৰিলে আৰু ঈশ্বৰৰ কথা
সুনিবলৈ মান্তি নহল। ৮শাস্ত্ৰত সেয়ে লিখা আছে:

“ঈশ্বৰে তেওঁলোকক এক চেতনাহীন আত্মা দিছে।”

*যিচয়া ২৯:১০*

“ঈশ্বৰে তেওঁলোকৰ চকু বন্ধ কৰিছে, যাতে
তেওঁলোকে সত্যক দেখা নাপাই।
ঈশ্বৰে তেওঁলোকক কাণ বন্ধ কৰি দিছে, যাতে
তেওঁলোকে সত্যক শুনিবলৈ নাপাই,
আজিলৈকে সেই দৰেই আছে।” *দ্বিতীয় বিবৰণ ২৯:৪*

৯দায়ূদে এই সম্বন্ধে কৈছিল:

“তেওঁলোকৰ ভোজনৰ মেজ তেওঁলোকলৈ ফান্দ
নিচিনা, যি তেওঁলোকক ধৰিব।
তেওঁলোকক বিনষ্ট হওক আৰু দণ্ড ভোগ কৰক।
১০ তেওঁলোকৰ চকু বন্ধ হওক যাতে তেওঁলোকে দেখা
নাপায়।
আৰু সদায় তেওঁলোকৰ জীৱনত কষ্ট থাকক।”

*গীতমালা ৬৯:২২-২৩*

১১গতিকে মই কওঁ: যেতিয়া যিহুদী বিলাক পৰিল সিয়ে
তেওঁলোকক বিনষ্ট কৰিলে নিকি? নাই। কিন্তু তেওঁলোকৰ
ভুলৰ বাবে অযিহুদী লোকসকলক পৰিত্ৰাণ কাষলৈ
আনিলে। ইয়াক কৰাৰ উদেশ্যে হল যাতে যিহুদী সকল
আকৰ্ষিত হয়। ১২যিহুদী বিলাকৰ সেই ভুলে, জগতৰ বাবে
মহা আৰ্শীবাদ লৈ আহিছে। আৰু তেওঁলোকে যি হেৰালে
সেই ক্ষতিয়ে অযিহুদী সকলক সমৃদ্ধ কৰিলে। তেন্তে এই
কথা নিশ্চিত যে পৰ্য্যাপ্ত সংখ্যক যিহুদী যদি ঈশ্বৰে বিচৰা
ধৰণৰ হয় তেন্তে জগত কিমান আৰ্শীবাদ পূৰ্ণ হব।

[a] **১১:৩** উদ্ধৃতি ১ৰাজাৱলী ১৯:১০, ১৪

[b] **১১:৪** উদ্ধৃতি ১ৰাজাৱলী ১৯:১৮

১৩এতিয়া মই অযিহুদী লোকলকলক কওঁ। মই অযিহুদী
সকলৰ বাবে মনোনীত এজন পাঁচনি। গতিকে মই এই কৰ্ম্ম
সাধ্যমতে কৰিম৷ ১৪মই আশা কৰোঁ যে মোৰ স্বজাতীয়
লোকসকলক মই আকৰ্ষিত কৰিব পাৰিম। ইয়াৰ দ্বাৰাই মই
হয়তো কিছু লোকক সহায় কৰিব পাৰিম, যাতে তেওঁলোকে
উদ্ধাৰ পায়। ১৫ঈশ্বৰে যিহুদী পৰা মুখ ঘূৰাইছে। যেতিয়া ই
ঘটে, তেওঁ জগতৰ আন আন লোকসমূহৰ বন্ধু হয়। সেয়ে
ঈশ্বৰে যেতিয়া যিহুদীসকলক আকৌ গ্ৰহণ কৰিব, তেতিয়া
ই তেওঁলোকৰ বাবে মৃত্যুৰ পৰা জীৱন দিয়াৰ দৰে হব।
১৬যদি পিঠাৰ প্ৰথম ভাগ ঈশ্বৰক উৰ্চ্চগিত কৰা হয় তেন্তে
গোটেই পিঠা পবিত্ৰ হয়; সেই দৰে গছৰ শিপা পবিত্ৰ হলে
ডালবোৰো পবিত্ৰ হব৷

১৭ই এনে ধৰণৰ, জলফাই গছৰ কিছুমান ডাল ভাগি
পেলোৱা হ’ল, আৰু সেই ঠাইত বনৰীয়া জলফাই গছৰ
ডাল কলমস্বৰূপে লগোৱা হল। যদি তুমি যিহুদী নোহোৱা,
তুমিও থিক সেই বনৰীয়া জলফাই গছৰ ডালৰ দৰে, আৰু
তুমি এতিয়া সেই জলফাই গছৰ শক্তি আৰু জীৱনৰ
সহভাগী হলা। ১৮কিন্তু তুমি নিজকে সেই ভাঙি যোৱা
ডাল বোৰতকৈ উন্নত বুলি গৰ্ব নকৰিবা। তুমি গৰ্ব কৰাৰ
কোনো কাৰণ নাই, কিয়নো তুমি শিপাক জীৱন নিদিয়া কিন্তু
শিপাইহে তোমাক জীৱন দিয়ে। ১৯তেন্তে তুমি কব পাৰা,
“ডাল বিলাকক ভঙা হৈছিল যাতে তোমাক সেই গছত
লগাব পাৰে৷” ২০হয়, ঠিক৷ কিন্তু সেই ডাল বোৰক ভঙা
হৈছিল কিয়নো সিঁহতে ঈশ্বৰক বিশ্বাস কৰা নাছিল। আৰু
তোমাৰ বিশ্বাস আছে বুলি তুমি সেই গছৰ অংশৰূপে আছা,
ইয়াৰ বাবে গৰ্ব্ব নকৰিবা, কিন্তু ভয় কৰা। ২১কিয়নো ঈশ্বৰে
যেতিয়া সেই স্বাভাবিক ডাল বিলাকক থাকিবলৈ নিদিলে,
তেতিয়া বিশ্বাস নাথাকিলে তেওঁ তোমাকো থাকিব নিদিব৷

২২সেই বাবে মই তোমাক কওঁ ঈশ্বৰ দয়ালু, কিন্তু একে
সময়তে তেওঁ অতি কঠোৰ হব পাৰে। যিবিলাকে তেওঁক
অনুসৰণ কৰিবলৈ এৰিলে তেওঁলোকক তেওঁ দণ্ড দিয়ে৷
কিন্তু ঈশ্বৰে তোমাৰ প্ৰতি দয়াবান হয় যদিহে তুমি তেওঁৰ
দয়াত আস্হা কৰি থাকা৷ যদি নাই থাকা তেন্তে তোমাক
সেই গছৰ পৰা কাটি পেলোৱা হব। ২৩আৰু যদি যিহুদী সকল
পুনৰ বিশ্বাস কৰি ঈশ্বৰৰ ওচৰলৈ ঘূৰি আহে তেন্তে ঈশ্বৰে
তেওঁলোকক আকৌ গ্ৰহণ কৰিব৷ তেওঁলোক যি ঠাই আছিল
ঈশ্বৰে তেওঁলোকক আকৌ সেই ঠাই দিব পাৰে৷ ২৪বনৰীয়া
ডাল এটা এজোপা ভাল গছৰ অংশ হোৱাতা স্বাভাবিক
নহয়। কিন্তু তোমালোক অযিহুদী লোকবিলাক বনৰীয়া
জলফাই গছৰ পৰা কটা ডালৰ নিচিনা। আৰু তোমালোক
উত্তম জলফাই গছত লগোৱা হলা। কিন্তু সেই যিহুদী সকল
উত্তম গছৰ ডালৰ নিচিনা। গতিকে তেওঁলোকক আকৌ
সেই উত্তম গছৰ সৈতে নিশ্চয়কৈ লগাব পৰা যাব৷

২৫হে ভাই আৰু ভনীসকল, মই তোমালোকক এই নিগূঢ়
সত্যৰ পৰা আঁতৰাই ৰাখিব বিচৰা নাই যাতে তোমালোকে
নিজকে নিজে জ্ঞানৱন্ত বুলি নামানা, কিয়নো কিছু
যিহুদীলোকক এইদৰে কঠোৰ কৰা হ’ল আৰু যেতিয়ালৈকে
অযিহুদীবিলাক ঈশ্বৰৰ পৰিয়ালৰ অংশ নহয় তেতিয়ালৈকে
এইদৰে কঠিন হৈ থাকিব। ২৬এইদৰে গোটেই ইস্ৰায়েলৰ
লোক সকল উদ্ধাৰ হব৷ শাস্ত্ৰত লিখা আছে:

“উদ্ধাৰকৰ্তা জন চিয়োনৰ পৰা আহিব৷
যি যাকোবৰ বংশ পৰা সকলো অধৰ্ম দূৰ কৰিব৷
২৭ আৰু তেতিয়া মই এই নিয়ম সেই লোকসমূহৰ লগত
কৰিম
যেতিয়া মই তেওঁলোকৰ পাপবোৰ দূৰ কৰিম৷”

*যিচয়া ৫৯:২০-২১; ২৭:৯*

২৮যিহুদী সকল শুভৰাৰ্তা গ্ৰহণ কৰিবলৈ অস্বীকাৰ
কৰি ঈশ্বৰৰ শত্ৰু হৈছে৷ তোমালোক যিবিলাক অযিহুদী
তোমালোকৰ সহায়ৰ বাবে এনে হৈছে; কিন্তু যিহুদী
সকল এতিয়াও ঈশ্বৰৰ মনোনীত লোক আৰু তেওঁলোকৰ
পূৰ্ব্বপুৰুষৰ ওচৰত ঈশ্বৰে কৰা প্ৰতিশ্ৰুতিৰ বাবে তেওঁ
তেওঁলোকক প্ৰেম কৰে। ২৯ঈশ্বৰে যাক আহ্বান কৰিলে
তেওঁলোকৰ সমন্ধে তেওঁ নিজৰ মন কেতিয়াও সলনি নকৰে।
তেওঁ যি আশিৰ্বাদ তেওঁবিলাকক দিছিল তাক উভতাই লোৱাৰ
সিদ্ধান্ত তেওঁ কেতিয়াও নলয়। ৩০এটা সময়ত তোমালোক
ঈশ্বৰৰ অবাধ্য আছিলা। কিন্তু এতিয়া যিহুদী সকলৰ অবাধ্যতাৰ
বাবে তোমালোকে তেওঁৰ দয়া পালা। ৩১ঠিক যেনেকৈ যিহুদী
সকল ঈশ্বৰৰ অবাধ্য হলত তোমালোকে মৰম পালা। এতিয়া
যিহুদী সকল অবাধ্য হৈছে যাতে তেওঁবিলাকেও ঈশ্বৰৰ পৰা
দয়া পায়। ৩২ঈশ্বৰে সকলো লোককে অবাধ্যতাত বন্দী কৰি
ৰাখিছে যাতে তেওঁ সকলোৰে প্ৰতি দয়া দেখুৱাব পাৰে৷

### ঈশ্বৰৰ প্ৰশংসা হওক

৩৩ঈশ্বৰৰ কৰুণা, তেওঁৰ জ্ঞান আৰু প্ৰজ্ঞাৰ কোনো অন্ত
নাই। তেওঁৰ সিদ্ধান্ত কোনেও বুজাব নোৱাৰে। তেওঁৰ বাট
কোনোৱেই বুজি নাপাই। ৩৪শাস্ত্ৰত যেনেকৈ কয়,

“প্ৰভুৰ মন কোন জানে?
বা কোনে তেওঁক পৰামৰ্শ দিব পাৰে?”

যিচয়া ৪০:১৩

৩৫ “কোনে ঈশ্বৰক কিবা দিলে?
এনে কোন আছে যাৰ ওচৰত ঈশ্বৰ ধৰোৱা?”

*ইয়োব ৪১:১১*

৩৬কিয়নো ঈশ্বৰে সকলো সাজিলে; আৰু সকলো বস্তু
তেওঁ বাবে আৰু তেওঁৰ দ্বাৰাই চলি আছে। চিৰকাল ঈশ্বৰৰ
মহিমা হওক! আমেন৷

### ঈশ্বৰৰ উদ্দেশ্য জীৱন উৎসৰ্গ কৰা

১২ ১এতেকে, হে ভাই আৰু ভনী সকল, ঈশ্বৰে
আমাৰ প্ৰতি কৰা দয়াৰ বাবে মই তোমালোকৰ

ওচৰত এই বিনয় কৰো, তোমালোকৰ নিজৰ নিজৰ জীৱন ঈশ্বৰৰ উদ্দেশ্যে জীৱিত, পবিত্ৰ আৰু গ্ৰহনীয় বলিস্বৰূপে উৎসৰ্গ কৰা। তেওঁ তোমাৰ বাবে যি কৰিলে তাক বিবেচনা কৰা। ঈশ্বৰৰ উপাসনা কৰিবৰ বাবে তোমালোকৰ ওচৰত এইয়ে এক আত্মিক উপায়। ২এই জগতৰ লোকসমূহৰ নিচিনাকৈ নিজকে সলনি নকৰিবা, কিন্তু এক নতুন চিন্তাধাৰাৰে নিজকে নিজে সলনি কৰা। তাতে তোমালোকৰ বাবে কোনটো ভাল, কোনটোৱে তেওঁক সন্তুষ্ট কৰে আৰু কোনটো সিদ্ধ তাক বুজি পাবা।

৩ঈশ্বৰে মোক এটি বিশেষ বৰ দান কৰিছে, সেয়ে তোমালোক প্ৰত্যেককে মোৰ কিছু কথা কব আছে। তোমালোকে যেনেকুৱা তাতকৈ অধিক বুলি নিজকে বিবেচনা নকৰিবা ; কিন্তু তুমি যেনে ধৰণৰ, নিজকে সেই ধৰণে বিবেচনা কৰা। কিন্তু ঈশ্বৰে যিজনক যি পৰিমাণৰ বিশ্বাস দিছে তোমালোক সেই অনুসৰে নিজৰ বিষয়ে গভীৰ ভাবে বিবেচনা কৰা। ৪আমাৰ সকলোৰে এক শৰীৰৰ আছে আৰু সেই শৰীৰৰ অনেক অঙ্গ প্ৰত্যঙ্গ আছে। এই অঙ্গ প্ৰত্যঙ্গ বোৰে একেদৰে কাৰ্য্য নকৰে৷ ৫ঠিক একেদৰে আমি অনেক মিলি খ্ৰীষ্টৰ শৰীৰৰ গঠন কৰো। আমি সেই শৰীৰৰ অঙ্গ প্ৰত্যঙ্গ, আৰু প্ৰত্যেকজনে পৰস্পৰ সৈতে সংযুক্ত হৈ আছো।

৬ঈশ্বৰৰ অনুগ্ৰহ অনুসাৰে আমি সকলোৱে বেলেগ বেলেগ বৰ পাইছো। কোনোৱে যদি ভাবোক্তি কোৱাৰ বৰ পাইছে তেন্তে তেওঁ তেওঁৰ বিশ্বাসৰ পৰিমাণ অনুসাৰে ভাবোক্তি কওঁক৷ ৭যি বিলাকে সেৱা কৰিবৰ বৰ পাইছে তেওঁলোকে সেৱা কৰক। যি বিলাকে শিক্ষা দিয়াৰ বৰ পাইছে তেওঁলোকে শিক্ষা দিয়ক। ৮যি সকলে আনক শান্তনা দিয়াৰ বৰ পাইছে তেওঁ বিলাকে আনক শান্তনা দিয়ক, যি সকলে আনক সহায় কৰাৰ বৰ পাইছে, তেওঁ উদাৰভাবে সহায় কৰক। শাসন কৰিবৰ বাবে যি জনে বৰ পাইছে তেওঁ যত্নৰে শাসন কৰক। দয়া দেখুৱাৰ বাবে যি জনে বৰ পাইছে তাক তেওঁ আনন্দৰে সৈতে কৰক৷

৯তোমাৰ প্ৰেম প্ৰকৃত হওক৷ যি মন্দ তাক ঘৃণা কৰা আৰু যি ভাল তাতে আসক্ত থাকা। ১০ভাই ভনীৰ মাজত যেনে পবিত্ৰ মৰম থাকে সেই মৰম তোমালোক পৰস্পৰ মাজত থাকক। আৰু আনক সন্মান দিয়াৰ কথাত, ইজনে সিজনতকৈ আগ হোৱা। ১১যেতিয়া তুমি প্ৰভুৰ কৰ্ম্ম কৰিবা, যত্নেৰে কৰিবা এলেহুৱা নহবা। প্ৰভুৰ সেৱা বাবে উৎসাহিত হোৱা। ১২আশাত আনন্দ কৰা, কিয়নো তোমালোকৰ প্ৰত্যাশা আছে৷ তোমালোক ক্লেশত সহনশীল হোৱা; নিৰন্তৰে প্ৰাৰ্থনা কৰি থাকা। ১৩তোমালোকৰ যি আছে তাক ঈশ্বৰৰ দৰিদ্ৰ বিশ্বাসী লোকসমূহৰ সৈতে ভগাই লোৱা৷ সহায়ৰ প্ৰয়োজন থকা লোকসকলক সহায় কৰিবা আৰু আলহী-অতিথি সেৱাত সদায় লাগি থাকিবা।

১৪তোমালোকক যিবিলাক তাড়না কৰে তেওঁলোকৰ বাবে প্ৰাৰ্থনা কৰিবা, যাতে ঈশ্বৰে তেওঁলোকক আৰ্শীবাদ কৰে৷ তেওঁলোকৰ মঙ্গল কামনা কৰা, শাওঁ নিদিবা৷ ১৫তোমালোক আনৰ সুখত সুখী হোৱা, আৰু যিবিলাক শোকত থাকে তেওঁলোকক সৈতে শোক কৰা। ১৬তোমালোক পৰস্পৰে এক হৈ কুশলে থাকা। অহঙ্কাৰী নহবা, কিন্তু যিবিলাক দীনহীন মানুহ তেওঁলোকৰ সৈতে সম্পৰ্ক ৰাখি চলা৷ নিজকে আনতকৈ জ্ঞানী বুলি নভাবিবা।

১৭কোনোৱে তোমাক অপকাৰ কৰিলে তেওঁৰো অপকাৰ কৰি প্ৰতিশোধ নলবা৷ সকলোৰে দৃষ্টিত যি ভাল তোমালোকে তাক কৰিবলৈ চেষ্টা কৰা৷ ১৮যিমানদূৰ পাৰা সকলোৰে সৈতে মিলেৰে থকাৰ চেষ্টা কৰি যোৱা। ১৯মোৰ প্ৰিয়সকল, কোনোৱে তোমালোকৰ বিৰুদ্ধে অন্যায় কৰিলে তেওঁক শাস্তি দিবলৈ চেষ্টা নকৰিবা কিন্তু ঈশ্বৰক শাস্তি দিবলৈ দিয়া। শাস্ত্ৰত প্ৰভুৱে কৈছে,

"তেওঁবিলাকে যি কৰিলে
তাৰ শাস্তি মই দিম।" *দ্বিতীয় বিবৰণ ৩২:৩৫*

২০তাৰ সলনি,

"তোমালোকৰ শত্ৰুৰ ভোক লাগিলে
তেওঁলোকক খাবলৈ দিয়া,
তোমালোকৰ শত্ৰু পিয়াহ লাগিলে
তেওঁলোকক পানী দিয়া।
তেনে কৰিলে তেওঁলোক লাজত পৰিব।"
*হিতোপদেশ ২৫:২১–২২*

২১কুকৰ্ম্মৰ ওচৰত পৰাস্ত নহবা, কিন্তু উত্তম কৰ্ম্মৰ দ্বাৰাই কুকৰ্ম্মক পৰাস্ত কৰিবা।

### শাসনকৰ্ত্তাৰ আজ্ঞা পালন কৰা

১৩ ১তোমালোক প্ৰত্যেকে দেশৰ শাসনকৰ্তাৰ অনুগত হোৱা। কিয়নো শাসনকৰ্তা জনক ঈশ্বৰে শাসন কৰিবলৈ ক্ষমতা দিছে৷ আৰু এতিয়া যিবিলাকে শাসন কাৰ্য্যত নিযুক্ত হৈ আছে, ঈশ্বৰে তেওঁলোকক সেই কৰ্ম্মৰ ক্ষমতা দিছে৷ ২সেয়ে যি কোনোৱে কৰ্ত্তৃপক্ষৰ বিৰোধীতা কৰে, তেওঁ ঈশ্বৰৰ আজ্ঞাৰ বিৰোধিতা কৰাৰ দৰে। তেনেকৈ বিৰোধিতা কৰা বিলাকে নিজলৈ শাস্তি মাতি আনিব৷ ৩যি লোকে ভাল কৰ্ম্ম কৰে তেওঁ লোকে শাসন কৰ্তাক ভয় কৰিব নালাগে। কিন্তু যি বিলাকে মন্দ কৰ্ম্ম কৰে তেওঁলোকে ভয় কৰাৰ কাৰণ থাকে। তেন্তে যি ভাল তাক কৰা আৰু তেওঁবিলাকে তোমালোকৰ প্ৰশংসা কৰিব৷

৪শাসনকৰ্তা সকল ঈশ্বৰৰ দাস হয় যি তোমালোকৰ পৰিচাৰ্য্য কৰে। কিন্তু তোমালোকে যদি ভুল কৰা, তেন্তে ভয় কৰাৰ কাৰণ আছে, কিয়নো তেওঁ তৰোৱাল বৃথা ধৰা নাই। তেওঁলোক ঈশ্বৰৰ দাস; সেয়ে যিবিলাকে অন্যায় কৰে, তেওঁলোকক ঈশ্বৰৰ হৈ শাস্তি দিয়ে। ৫সেয়ে তোমালোকে শাসনকৰ্তা জনক মানি চলিবা, কেৱল শাস্তিৰ

পৰা ৰেহাই পাবৰ অৰ্থে নহয় , কিন্তু তোমালোক বিবেকশীল
ব্যক্তি হোৱাৰ কাৰণে।
৬এই বাবে তোমালোকে কৰ দিয়া। কিয়নো সেই
শাসনকৰ্তা সকলে ঈশ্বৰৰ কাৰণে কাৰ্য্য কৰিছে, আৰু
তেওঁলোকে শাসন কাৰ্য্যৰ বাবে সম্পূৰ্ণ সময় দিছে।
৭তোমালোকৰ ওচৰত যাৰ পাবলগীয়া আছে তাক দিয়া।
তোমালোকৰ যদি কোনো ধৰণৰ কৰ তেওঁলোকক
দিব আছে তাক দিয়া। যিবিলাকক সন্মান কৰা উচিত
তেওঁলোকক সন্মান কৰা; যিবিলাকক আদৰ কৰিব লাগে
তেওঁলোকক আদৰ কৰা।

## প্ৰেমেই একমাত্ৰ বিধান

৮পৰস্পৰে প্ৰেম কৰাৰ বাহিৰে আন কোনো কথাত
তোমালোক কাৰো ধৰুৱা নহবা। কিয়নো যি জনে
আনক প্ৰেম কৰে সেই জনে বিধান-ব্যৱস্থা সিদ্ধ কৰে।
৯বিধান-ব্যৱস্থাই কয়, "তোমালোকে ব্যাভিচাৰ নকৰিবা,
তোমালোকে নৰবধ নকৰিবা, তোমালোকে চুৰ নকৰিবা,
তোমালোকে আনৰ বস্তুৰ প্ৰতি লোভ নকৰিবা"[a] আৰু আন
যি যি আজ্ঞা সমূহ আছে সেই সকলো আজ্ঞা কেৱল, এটা
আজ্ঞা পালন কৰাৰ যোগেদি পোৱা যায় : "তোমাৰ নিজৰ
চুবুৰীয়াক তোমাৰ নিজৰ নিচিনা প্ৰেম কৰিবা।"[b] ১০প্ৰেমে
কেতিয়াও কাৰো অনিষ্ট নকৰে, সেয়ে আনক প্ৰেম কৰাৰ
যোগেদি বিধানৰ সকলো ব্যৱস্থাকে পালন কৰা বুজায়।
১১মই এই বিলাক কথা তোমালোকক এই কাৰণে কৈছো,
কাৰণ তোমালোকে জানা যে আমি এতিয়া এক গুৰুৰ্ত পূৰ্ণ
সময়ৰ মাজেদি গৈ আছো। হয়, এতিয়া আমি টোপনিৰ
পৰা সাৰ পাবৰ সময়, কিয়নো যেতিয়া আমি খ্ৰীষ্টক প্ৰথমে
বিশ্বাস কৰিছিলো তেতিয়াতকৈ এতিয়া আমাৰ উদ্ধাৰ ওচৰ
হ'ল। ১২ৰাতি প্ৰায় শেষ হবলৈ হল। আৰু "দিন" আৰম্ভ
হবলৈ বেছি সময় নাই। যি বিষয় বিলাক আন্ধাৰৰ সেই
বিলাক আমি পৰিত্যাগ কৰিবলৈ হল। আন্ধাৰৰ শক্তিৰ
সৈতে যুদ্ধ কৰিবলৈ পোহৰৰ অস্ত্ৰ পৰিধান কৰাৰ যোগেদি
আমি নিজকে প্ৰস্তুত কৰোহঁক। ১৩দিনৰ পোহৰৰ লোকৰ
দৰে আমি সঠিক পথত জীয়াই থাকিব লাগে। আমি যাতে
- ৰঙ্গৰস আৰু মত্ততা, কামাভিলাষ আৰু ব্যাভিচাৰ, অনৰ্থক
বিবাদ বা তৰ্ক, ঈৰ্শা আদি নকৰো। ১৪কিন্তু যাতে অধিক
ৰূপে প্ৰভু যীচু খ্ৰীষ্টৰ দৰে হোৱা, যাতে লোকসমূহে আমাত
তেওঁকেই দেখি পায়। গতিকে দৈহিক কামনা বাসনা পুৰ
কৰিবৰ বাবে একো আয়োজন নকৰিবা।

## আনৰ সমালোচনা নকৰিবা

১৪ ১বিশ্বাসত দুৰ্বল, এনে কোনো ভাইক
তোমালোকৰ মাজত গ্ৰহণ কৰিবলৈ অস্বীকাৰ
নকৰিবা। তেওঁৰ বিভিন্ন ধাৰণাক লৈ তেওঁৰ সৈতে তৰ্ক
নকৰিবা। ২কোনো লোকে সকলো খাব পাৰে বুলি বিশ্বাস
কৰে, কিন্ত যি জন বিশ্বাসত দুৰ্বল তেওঁ নিৰামিষ আহাৰ
গ্ৰহন কৰক। ৩যি জন ব্যক্তিয়ে সকলো খাদ্য খাব পাৰে
বুলি জানে সেই জনে নিজক নিৰামিষ আহাৰ গ্ৰহন কৰা
জনতকৈ আধিক জ্ঞানী বুলি বিবেচনা নকৰক। আৰু যি
সকল ব্যক্তিয়ে কেৱল নিৰামিষ আহাৰ ভোজন কৰে তেওঁ
বিলাকে সকলো খাদ্য গ্ৰহন কৰা জনক ভুল বুলি নকওক।
কিয়নো ঈশ্বৰে তেওঁক গ্ৰহণ কৰিছে৷ ৪তুমি আনৰ দোষক
দোষী ধৰিব নোৱাৰা। তেওঁ ঠিক কৰিছেনে নাই ভুল কৰিছে
তাক সেই দাসৰ প্ৰভুৱে ঠিক কৰিব; আৰু প্ৰভুৰ দাস সকল
ধাৰ্মিক হব, কিয়নো প্ৰভুৱে তেওঁলোকক ধাৰ্মিক প্ৰতিপন্ন
কৰাব পাৰে৷
৫কোনোৱে হয়তু এই দিন সেই দিনতকৈ ভাল বা
কোনোৱে আকৌ সকলো দিন সমান ভাল এই দৰে মান্য
কৰিব পাৰে। প্ৰত্যেক ব্যক্তিৰে নিজ নিজ মনে কৰা বিশ্বাস
সম্বন্ধে নিশ্চয় হওক৷ ৬যি জনে কোন দিনক বিশেষ মৰ্য্যদা
দিয়ে তেওঁ প্ৰভুৰ উদ্দেশ্য তাক কৰে৷ তেনেকৈ যি জনে
খাদ্য গ্ৰহন কৰে তেওঁ প্ৰভুৰ উদ্দেশ্য তাক কৰে। হয়, সেই
আহাৰৰ বাবে তেওঁলোকে ঈশ্বৰক ধন্যবাদ দিয়ে। আৰু যি
ব্যক্তি কোনো আহাৰ গ্ৰহণ কৰাৰ পৰা বিৰত থাকে তেওঁ
প্ৰভুৰ উদ্দেশ্য তাক কৰে আৰু ঈশ্বৰক ধন্যবাদ দিয়ে।
৭আমি সকলোৱেই কেৱল নিজৰ উদেশ্যে নিজীওঁ আৰু
নমৰোঁ। ৮আমি যদি জীয়াই থাকো, প্ৰভুৰ বাবে জীয়াই
আছো৷ আৰু আমি কোনোৱে যদি মৰা হও আমি প্ৰভুৰ
বাবে মৰা হম। গতিকে আমি জীয়োঁ বা মৰোঁ আমি প্ৰভুৰ হৈ
আছো। ৯সেই বাবেই খ্ৰীষ্টই মৃত্যু বৰণ কৰিলে আৰু পুনৰায়
জীয়াই উঠিল, যাতে তেওঁ মৃত আৰু জীৱিত সকলোৰে
প্ৰভু হব পাৰে৷
১০তেন্তে তোমালোকে কিয় খ্ৰীষ্টত তোমালোকৰ ভাইৰ
বা ভনীৰ দোষ ধৰিছা? তোমালকে ইজনে আনজনতকৈ
উত্তম বুলি কিয় ভাবা?আমি সকলোৱে ঈশ্বৰৰ বিচাৰ আগত
থিয় হম আৰু তেওঁহে আমাৰ বিচাৰ কৰিব৷ ১১হয়, শাস্ত্ৰত
লিখা আছে:

" 'প্ৰভুৱে কৈছে,' মোৰ জীৱনৰ শপত,
'প্ৰত্যেক ব্যক্তিয়ে মোৰ আগত আঠু লব;
প্ৰত্যেকে স্বীকাৰ কৰিব যে ময়েই ঈশ্বৰ৷' "

*যিচয়া ৪৫:২৩*

১২আমি সকলোৱে ঈশ্বৰৰ ওচৰত আমাৰ কামৰ হিচাপ দিব
লাগিব৷

## আনক পাপত নেপেলাবা

১৩সেয়ে আহাঁ, আমি আনৰ বিচাৰ কৰাৰ পৰা বিৰত হওঁ।
আহাঁ আমি এনে একো কাৰ্য্যে নকৰাৰ সিদ্ধান্ত লওঁ যত
আমাৰ কোন ভাই বা ভনীয়ে উজুতি নাখায় আৰু বিশ্বাসত
খহি নপৰে। ১৪মই জানো যে স্বাভৱতে কোনো খাদ্যই
অশুচি নহয়। এই কথা মই জানো আৰু প্ৰভু যীচুত দৃঢ়

[a] **১৩:৯** উদ্ধৃতি যাত্ৰা পুস্তক ২০:১৩-১৫, ১৭
[b] **১৩:৯** উদ্ধৃতি লেবীয়া পুস্তক ১৯:১৮

বিশ্বাস আছে। কিন্তু কোনো ব্যক্তিয়ে কোনো বস্তু খাবলৈ
অশুচি বুলি ভাৱে, তেন্তে সেইয়া তেওঁৰ বাবে অশুচি হয়।
১৫তুমি গ্ৰহন কৰা আহাৰে যদি তোমাৰ ভাই বা ভনীক
আত্মিকভাৱে আঘাট কৰিছে, তেন্তে তুমি প্ৰেম আচৰণ কৰা
নাই। তুমি এনে একো আহাৰ গ্ৰহণ নকৰিবা যিয়ে আনৰ
বিশ্বাসত আঘাট হানে। কিয়নো খ্ৰীষ্ট সেই ব্যক্তিৰ বাবেও
প্ৰাণ দিছিল৷ ১৬এনে কোনো বিষয়ক তুমি স্থান নিদিবা যি
তোমাৰ বাবে উত্তম কিন্তু আনৰ বাবে ঘৃণ লগীয়া। ১৭ঈশ্বৰৰ
ৰাজ্যত আমি কি খাম বা পান কৰিম সেইয়া গুৰুপ্তৰ্পূ নহয়।
কিন্তু ধাৰ্মিকতা, শান্তি আৰু আনন্দ— এই সকলো পবিত্ৰ
আত্মাৰ দ্বাৰাই পোৱা যায়। ১৮যিয়ে এই দৰে জীয়াই থকাৰ
যোগেদি খ্ৰীষ্টৰ সেৱা কৰে, তেওঁ ঈশ্বৰৰ প্ৰিয়পাত্ৰ আৰু
মানুহ বিলাকেও গ্ৰহন কৰিব।
১৯সেয়ে আহা যিমান পাৰো যত্নৰে সেই সকলো কৰ্ম্ম
কৰো যিয়ে শান্তিজনক আৰু পৰস্পৰক বিশ্বাসত বলৱান
কৰিব পাৰে। ২০খোৱা বস্তুৰ নিমিত্তে ঈশ্বৰৰ কৰ্ম্ম বিনষ্ট
নকৰিবা। কিয়নো সকলো আহাৰ পৰিস্কাৰ আৰু খোৱা যায়,
কিন্তু কোনো খোৱা বস্তুৰে যদি কাৰোবাৰ বিশ্বাসত আঘাট
হানে সেইটো ভুল হব। ২১যদি মাংস ভোজন বা দ্ৰাক্ষাৰস
পান কৰাৰ দ্বাৰা তোমাৰ ভাই বা ভনীয়ে উজুতি খায় তেন্তে
নোখোৱাই ভাল।
২২তোমালোকে যি ভাল বুলি বিশ্বাস কৰিছা তাক তুমি
আৰু তোমাৰ ঈশ্বৰৰ মাজত ৰাখা; ই এক আশীৰ্বাদ হয়
তেওঁৰ বাবে যেতিয়া কোনোৱে ভাল বুলি কোন কৰ্ম্ম কৰে
আৰু তেওঁ যি কৰিছে সেই বিষয়ে যদি তেওঁৰ বিবেকে
তেওঁক দোষী নকৰে৷ ২৩কিন্তু কোনৰে যদি কিবা খোৱা
বস্তুৰ বিষয়ে সংশয় কৰে, আৰু তথাপি যদি তাক খায়
তেন্তে তেওঁ অবশ্যেই দোষী, সেইয়ে পাপ।

**১৫** ১কিন্তু আমি যিবিলাক আত্মিক ভাৱে বলৱান,
আমি যিবিলাক দুৰ্ব্বল তেওঁলোকৰ দুৰ্ব্বলতাক
সহন কৰিব লাগে। আমি নিজকে কেৱল সন্তুষ্ট কৰা কাম
কৰিব নালাগে। ২কিন্তু এনে কাৰ্য্য কৰা যিয়ে তেওঁলোকক
সন্তুষ্ট কৰে, আৰু তেওঁলোকৰ বাবে ভাল হয়। আমি সেই
সকলো কাৰ্য্য কৰিব লাগে যিয়ে সকলোকে বিশ্বাসত
বাঢ়িবলৈ গভীৰ ভাবে সহায় কৰে। ৩খ্ৰীষ্টেও নিজকে সন্তুষ্ট
কৰিবৰ নিমিত্তে জীয়াই থকা নাছিল। কিন্তু শাস্ত্ৰই খ্ৰীষ্টৰ
বিষয়ে কৈছে: "যেতিয়া লোকবিলাকে তোমালোকক
অপমান কৰে, সেই সকলো অপমান মোৰ ওপৰত
আহিল৷"[a] ৪শাস্ত্ৰত বহু আগেয়ে যি সকলো কথা লিখা
হৈছিল তাক আমাক শিক্ষা দিবৰ কাৰণে লিখা হৈছিল।
তাক লিখা হৈছিল যাতে আমাৰ আশা থাকে। সেই
আশাৰ বাবে শাস্ত্ৰই আমাক ধৈৰ্য্য আৰু উৎসাহ জন্মাই।
৫সকলো ধৈৰ্য্য আৰু উৎসাহ ঈশ্বৰৰ পৰা হে আহে। আৰু
তোমালোকে যাতে খ্ৰীষ্টে বিচৰা ধৰণে ইজনে সিজনৰ
লগত এক মন হোৱাত যাতে ঈশ্বৰে তোমালোকক সহায়
কৰে এইয়ে মোৰ প্ৰাৰ্থনা। ৬এইদৰে তোমালোক সকলোৱে
এক লগ হবা। আৰু সকলোৱে একে লগে ঈশ্বৰ যি প্ৰভু যীচু
খ্ৰীষ্টৰ পিতৃ, তেওঁৰ মহিমা কৰিব৷ ৭খ্ৰীষ্টে তোমালোকক
গ্ৰহণ কৰিছে, সেয়ে তোমালোকে পৰস্পৰক গ্ৰহণ কৰা।
ইয়াতে ঈশ্বৰ গৌৰৱান্বিত হব৷ ৮মই তোমালোকক কওঁ,
ঈশ্বৰে যিহুদী পূৰ্ব্বপুৰুষ সকলৰ ওচৰত যি প্ৰতিশ্ৰুতি দিছিল,
তাক পূৰ্ণ কৰিবৰ কাৰণে খ্ৰীষ্ট যিহুদী সকলৰ দাস হৈছিল।
৯খ্ৰীষ্ট এই সাধন কৰিলে যাতে অযিহুদী লোকসকলেও
ঈশ্বৰৰ প্ৰশংসা কৰিব তেওঁ তেওঁবিলাকৰ প্ৰতি কৰা দয়াৰ
বাবে। শাস্ত্ৰত যেনেকৈ লিখা আছে:

"এই কাৰণে অযিহুদীৰ মাজত মই তোমাৰ গৌৰৱ
কৰিম;
তোমাৰ নামৰ প্ৰশংসা গান কৰিম৷" *গীতমালা ১৮:৪৯*

১০আকৌ শাস্ত্ৰই কৈছে,

"অযিহুদী, তোমালোক ঈশ্বৰৰ মনোনীত লোকসমূহৰ
সৈতে আনন্দ কৰা।" *দ্বিতীয় বিবৰণ ৩২:৪৩*

১১শাস্ত্ৰই আকৌ কৈছে,

"সকলো অযিহুদীয়ে প্ৰভুৰ প্ৰশংসা কৰা;
সকলো লোকে তেওঁৰ প্ৰশংসা কৰক৷"
*গীতমালা ১১৭:১*

১২আকৌ যিচয়াই কৈছে,

"যিচয়ৰ পৰিয়ালৰ পৰা এজন ওলাব
তেওঁ সকলো জাতিৰ ওপৰত ৰাজত্ব কৰিব ;
আৰু সেই সকলোৱে তেওঁৰ ওপৰত ভাৰসা কৰিব।"
*যিচয়া ১১:১০*

১৩মোৰ এই প্ৰাৰ্থনা, যি জন ঈশ্বৰে তোমালোকক আশা
দিয়ে, তোমালোক তেওঁত লাগি থকাত তোমালোক যেন
আৰু আধিক পৰামানে আনন্দ আৰু শান্তিৰে পৰিপূৰ্ণ হোৱা।
তেতিয়া তোমালোকত আৰু আধিক পৰিমানৰ আশা
সঞ্চিত হব, পবিত্ৰ আত্মাৰ শক্তিৰে তোমালোক আশাৰে
পৰিপূৰ্ণ হোৱা।

### পৌলে তেওঁৰ কৰ্ম্ম সম্বন্ধে কোৱা

১৪মোৰ ভাই আৰু ভনীসকল, মই সুনিশ্চিত যে তোমালোক
সকলোৱেই ভাল গুণ আৰু প্ৰয়োজনীয় জ্ঞানেৰে পূৰ্ণ৷ এই
গতিকে তোমালোকে পৰস্পৰক চেতনা দিবলৈ নিশ্চয়
কৈ সমৰ্থ। ১৫কিন্তু মই কিছু কথা তোমালোকক মনত
পেলাই দিবৰ বাবে কিছু বিষয় মুকলিকৈ লিখিলো। মই
ইয়াক লিখিছো, কিয়নো ঈশ্বৰে মোক এই বিশেষ বৰ দিছে।

[a] **১৫:৩** উদ্ধৃতি স্তব গীতমালা ৬৯:৯

১৬মই অযিহুদীৰ মাজত পৰিচাৰ্য্য কৰিবৰ বাবে খ্ৰীষ্ট যীচুৰ
দাস হৈছো৷ মই এজন পুৰোহিত দৰে তেওঁলোকৰ মাজত
ঈশ্বৰৰ শুভবাৰ্তা প্ৰচাৰ কৰো। তেওঁ মোক এই দায়িত্ব
দিছে যাতে পবিত্ৰ আত্মা দ্বাৰাই অযিহুদীলোক সকল ঈশ্বৰৰ
গ্ৰহণীয় বলি স্বৰূপ হয়৷
১৭সেয়ে খ্ৰীষ্ট যীচুত ঈশ্বৰৰ বাবে মই যি কৰ্ম্ম কৰিলো
তাৰ বাবে মই গৰ্বৱোধ কৰো। ১৮মই যে নিজে কিবা
কৰিছো, এনে কথা নকওঁ। কিন্তু খ্ৰীষ্টে মোৰ যোগেদি
কিদৰে অযিহুদী লোকসকলক ঈশ্বৰৰ বাধ্যতালৈ আনিলে
তাকহে মাত্ৰ কম। মই যি কলো আৰু কৰিলো তাৰ কাৰণে
তেওঁলোক তেওঁৰ বাধ্য হল। ১৯আৰু তেওঁলোক তেওঁৰ
অধীন হল কিয়নো বহুতো আচৰিত চিন আৰু বিস্ময় কৰ্ম্ম
কৰা হল —আৰু এই সকলো বিলাক পবিত্ৰ আত্মাৰ শক্তিৰ
দ্বাৰাই হল। মই যেৰুচালেম পৰা আৰম্ভৰে কৰি ইল্লুৰিয়াম
পৰ্যন্ত সকলো ঠাইতে খ্ৰীষ্টৰ বিষয়ে শুভবাৰ্তা প্ৰচাৰৰ কাৰ্য্য
সম্পূৰ্ণ কৰিছো। ২০যি বিলাক ঠাইত খ্ৰীষ্টৰ নাম কেতিয়াও
কোৱা হোৱা নাই , তাত খ্ৰীষ্টৰ শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ মই
সদায় চেষ্টা কৰো। মই এই দৰে মোৰ কাৰ্য্য কৰো কিয়নো
মই অন্যে স্থাপন কৰা মূলৰ ওপৰত যেন নাসাজো, ২১এই
বিষয়ে শাস্ত্ৰত লিখা আছে :

"যিবিলাকৰ ওচৰত তেওঁৰ সম্বন্ধে একো কোৱা নহব
তেওঁলোকে দেখা পাবা;
আৰু যিবিলাকে তেওঁৰ বিষয়ে শুনা নাই
তেওঁলোকে বুজি পাব৷" *যিচয়াই ৫২:১৫*

## পৌলৰ ৰোমলৈ যোৱাৰ পৰিকল্পনা

২২সেই কামে মোক ব্যস্ত কৰি ৰখাত বহুবাৰ তোমালোকৰ
ওচৰত যাবলৈ বাধা পাইছিলো।
২৩বহু বছৰৰ পৰা মই তোমালোকৰ ওচৰলৈ যাবলৈ
ইচ্ছা কৰিছিলো, আৰু এতিয়া এইবোৰ ঠাইত মোৰ কাৰ্য্য
শেষ হৈছে। ২৪সেয়ে মই স্পেইন দেশলৈ যোৱাৰ বাটত
তোমালোকৰ সৈতে দেখা কৰিম; হয়, মই আশা কৰিছো
স্পেইন দেশলৈ যোৱাৰ বাটত তোমালোকক দখা কৰিম
আৰু তোমালোকৰ লগত থাকিম আৰু ইয়ে মোক আনন্দ
দিব। মই আশা কৰো তাৰ পিছত তোমালোকে মোৰ
যাত্ৰাত সহায় কৰিবা৷
২৫মই এতিয়া ঈশ্বৰৰ লোকসমূহৰ সহায় কৰিব অৰ্থে
যেৰুচালেমলৈ যাওঁ। ২৬তাত কিছু পবিত্ৰ লোক আছে
যি দৰিদ্ৰ, আৰু মাকেদনিয়া আৰু আখায়া থকা ঈশ্বৰৰ
বিশ্বাসী লোকসমূহে তেওঁলোকক সহায় কৰিব বিচাৰিছে।
সেয়ে তেওঁলোকে কিছু ধন তেওঁলোকক দিবৰ বাবে
গোটাই ৰাখিছে। ২৭এই কাৰ্য্য কৰি তেওবিলাক সুখী।
আৰু এইয়া তেওঁলোকে ধাৰ পৰিশোধ কৰাৰ দৰে, কিয়নো
অযিহুদীসকলে যিহুদীসকলৰ পৰা আত্মিক আৰ্শীবাদ
পাইছে। গতিকে এতিয়া তেওঁলোকে যি আৰ্থিক আশিৰ্বাদ
তাৰ যোগেদি যিহুদী সকলক সহায় কৰা উচিত। ২৮মই
এতিয়া যেৰুচালেমলৈ যাওঁ আৰু চাওঁ যাতে দৰিদ্ৰ
লোকবিলাকৰ বাবে যি ধন দিয়া হৈছিল তাক তেওঁলোকে
ঠিক মতে পাইছে নে নাই । মোৰ এই কাৰ্য্য শেষ হলে,
মই স্পেনলৈ যাত্ৰা কৰিম আৰু বাটত তোমালোকক
দেখা কৰিবলৈ ৰ'ম। ২৯আৰু মই জানো যে মই যেতিয়া
তোমালোকক পাম, খ্ৰীষ্টৰ আশিৰ্বাদ তোমালোকলৈ
আনিম। ৩০হে ভাই আৰু ভনী সকল, মই তোমালোকৰ
ওচৰত মোক সহায় কৰিবৰ আৰ্থে প্ৰাৰ্থনা কৰিবলৈ মিনতি
কৰিছো। প্ৰভু যীচু খ্ৰীষ্ট আৰু পবিত্ৰ আত্মাৰ যি প্ৰেম তাৰ
বাবে ইয়াক কৰা। ৩১প্ৰাৰ্থনা কৰিবা, যাতে যিহুদীয়াত থকা
অবিশ্বাসী সকলৰ হাতৰ পৰা মই ৰক্ষা পাওঁ৷ প্ৰাৰ্থনা কৰিবা
যাতে যেৰুচালেমৰ বাবে, যাতে মোৰ সেৱা তেওঁলোকে
গ্ৰহণ কৰে৷ ৩২যাতে ঈশ্বৰৰ ইচ্ছা হলে মই আনন্দিত মনে
তোমালোকৰ ওচৰলৈ যাম আৰু তোমালোকৰ সৈতে
অলপ জিৰণী লম৷ ৩৩ঈশ্বৰৰ শান্তি তোমালোকৰ সকলোৰে
সৈতে থাক৷ আমেন৷

## ৰোমৰ বিশ্বাসীসকলৰ বাবে পৌলৰ শেষ কথা

১৬ ১মই তোমালোকক কব বিচাৰো যে খ্ৰীষ্টত
থকা আমাৰ ভনী ফৈবীক তোমালোকে ভাৰসা
কৰিব পাৰা। তেওঁ কিংক্ৰিয়া মণ্ডলীৰ এগৰাকী পৰিচাৰিকা।
২প্ৰভুত তেওঁক তোমালোকে গ্ৰহণ কৰিবলৈ মই অনুৰুধ
কৰিছো। ঈশ্বৰৰ লোকহিচাপে তুমি যি দৰে গ্ৰহন কৰিব
লাগে সেই দৰে তেওঁক গ্ৰহন কৰিবা। কোনো বিষয়ত যদি
তোমালোকৰ সহায় বিচাৰে তেন্তে সেই বিষয়ত তেওঁক
সহায় কৰিবা৷ তেওঁ মোক আৰু অনেক মানুহক, বহুতো
সহায় কৰিছে৷

৩ প্ৰিচিলা আৰু আক্কিলাক মোৰ মঙ্গলবাদ জনাবা, খ্ৰীষ্ট
যীচুৰ বাবে আমি একে লগে কাম কৰিছিলো।
৪তেওঁলোকে তেওঁলোকৰ জীৱন বিপদত পেলাই
মোৰ প্ৰাণ ৰক্ষা কৰিছিল। মই আৰু গোটেই
অযিহুদী মণ্ডলীবিলাকেও তেওঁলোকক কৃতজ্ঞতা
জনাও,
৫ আৰু তেওঁলোকৰ ঘৰত গোট খোৱা মণ্ডলীকো
মঙ্গলবাদ জনাবা।
মোৰ প্ৰিয় বন্ধু ইপেনিতাচক মঙ্গলবাদ জনাবা। এচিয়া
দেশত খ্ৰীষ্ট গ্ৰহন কৰা তেওঁ প্ৰথম ব্যক্তি৷
৬ মৰিয়মকো মঙ্গলবাদ জনবা, কিয়নো তেওঁ
তোমালোক সকলোৰে বাবে কঠোৰ পৰিশ্ৰম
কৰিলে৷
৭ আনদ্ৰনিকাচ আৰু যূনিয়াকো মঙ্গলবাদ জনাবা।
তেওঁলোকে মোৰ জ্ঞাতি আৰু মোৰ সৈতে
তেওঁলোকো কাৰাগাৰত বন্দী আছিল৷ তেওঁলোক
মোৰ আগেয়ে খ্ৰীষ্টক গ্ৰহন কৰিছিল৷ খ্ৰীষ্টই
পাঁচনি হিচাপে নিযুক্তি দিয়া ব্যক্তি সকলৰ মাজত
তেওঁলোকো প্ৰধান আছিল।

৮ প্ৰভুত মোৰ প্ৰিয় বন্ধু আমপ্লিয়াতাচকো মঙ্গলবাদ
জনাবা। ৯আৰু খ্ৰীষ্ট মোৰ সহকৰ্মী উৰ্বানাচকো
মঙ্গলবাদ জনাবা।
মোৰ প্ৰিয় বন্ধু স্তাচেকো মঙ্গলবাদ জনাবা। ১০আৰু
আলিল্লি, যি খ্ৰীষ্টৰ এজন প্ৰকৃত অনুকৰণকাৰী
তেওঁকো মঙ্গলবাদ জনাবা।
আৰিষ্টবুল আৰু তেওঁৰ পৰিয়ালৰ সকলোকে মোৰ
মঙ্গলবাদ জনাবা। ১১মোৰ জ্ঞাতি হেৰোদিয়োনকো
মঙ্গলবাদ জনাবা।
প্ৰভুত থকা নাৰ্চিচোচ আৰু তেওঁৰ পৰিয়ালৰ
সকলোকে মঙ্গলবাদ জনাবা। ১২আৰু ত্ৰফোনা
আৰু ত্ৰফোচাকো মঙ্গলবাদ জনাবা, এই দুগৰাকী
তিৰোতাই প্ৰভুৰ অৰ্থে বহু কষ্টৰে কাৰ্য্য কৰিলে।
মোৰ প্ৰিয় বন্ধু পাৰচিচকো মঙ্গলবাদ জনাবা। তেওঁ
প্ৰভুৰ অৰ্থে কঠোৰ পৰিশ্ৰম কৰিলে।
১৩ প্ৰভুৰ মনোনীত ৰোফোজলৈও মঙ্গলবাদ জনাবা
আৰু তেওঁৰ মাতৃ যি মোৰো মাতৃ স্বৰূপ তেওঁকো
মঙ্গলবাদ জনাবা।
১৪ আচেনকৃতাচ, ফ্লেগন, হাৰমেচ, পেটৰবাচ, হাৰমাচ
আৰু তেওঁলোকৰ সৈতে থকা সকলো ভাইলৈ
মোৰ মঙ্গলবাদ জনাবা।
১৫ আৰু ফিল'লগাচ, যূলিয়া, নেৰেউচ আৰু তেওঁৰ ভনী,
অলিমপাচ, আৰু তেওঁলোকৰ লগত থকা সকলো
ঈশ্বৰৰ লোকলৈ মোৰ মঙ্গলবাদ জনাবা।
১৬ পবিত্ৰ চুমাৰে তোমালোকে পৰস্পৰক মঙ্গলবাদ
জনাবা।
খ্ৰীষ্টত থকা সকলো মণ্ডলীয়ে তোমালোকলৈ
তেওঁলোকৰ মঙ্গলবাদ জনাইছে।

১৭হে ভাই আৰু ভনীসকল, মই তোমালোকক বিশেষ
অনুৰুধ কৰো এই যে সেই সকলৰ প্ৰতি সাৱধান হবা যি
সকলে তোমালোকে পোৱা সত্য শিক্ষাৰ বিপৰীত শিক্ষা দি
বিনা কাৰণে তৰ্ক আৰু লোকসকলৰ বিশ্বাসত আঘাত হানে।
এনে লোকসমূহৰ পৰা দূৰত থাকিবা। ১৮এনে লোকসমূহে
আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ সেৱা নকৰে। তেওঁলোকে নিজৰ
সন্তুষ্টিৰ বাবেহে কৰ্ম কৰে। যিবিলাকে মন্দতাৰ বিষয়ে
নাজানে তেওঁলোকক সুন্দৰ কথা আৰু মধুৰ বাক্যৰে
ভুলায়। ১৯প্ৰভুত তোমালোকৰ বাধ্যতাৰ কথা সকলোৱেই
শুনিছে আৰু এইবাবে মই তোমালোকৰ ওপৰত সন্তুষ্ট
হৈইছো। কিন্তু মই ইচ্ছা কৰো তোমালোক সকলোৱেই
যি ভাল তাত জ্ঞানী আৰু যি মন্দ তাৰ পৰা দূৰত থাকা।
২০শান্তিৰ ঈশ্বৰে অলপতে চয়তানক পৰাভূত কৰিব আৰু
তোমালোকৰ ভৰিৰ তললৈ চয়তানক পেলোৱা হব।

আমাৰ প্ৰভু যীচুৰ অনুগ্ৰহ তোমালোক সকলোৰে সৈতে থাকক।

২১মোৰ সহকৰী, তীমথিয়ই তোমালোকলৈ মঙ্গলবাদ
পাঠাইছে; আৰু মোৰ দৰে জাতি যিহুদী, আৰু লোচিয়াচ,
যেচোন আৰু চচিপাতাৰ (এওঁলোক মোৰ পৰিয়াল)
এওঁলোকেও তোমালোকলৈ মঙ্গলবাদ পঠাইছে।
২২মই তাৰ্ত্তিয়াচ, যি জনে পৌলৰ হৈ এই পত্ৰ লিখিছো, মইও
প্ৰভুৰ নামেৰে তোমালোকলৈ মঙ্গলবাদ জনাওঁ।
২৩গাই যিয়ে মোক থাকিবলৈ স্থান দিলে আৰু যাৰ ঘৰত
গোটেই মণ্ডলী সমবেত হয় তেওঁ তোমালোকলৈ মঙ্গলবাদ
জানাইছে।এৰাচটচ আৰু আমাৰ ভাই কোৱাৰটাচও
তেওঁলোকেও মঙ্গলবাদ জনাইছে। এৰাচটচ এই নগৰৰ
কোষাধক্ষ হয়। ২৪[a]
২৫ঈশ্বৰৰ গৌৰৱ হওক! তেওঁৱেই একমাত্ৰ জনা যি
জনে তোমালোকক বিশ্বাসত শক্তিশালী কৰিব পাৰে। মই
যি শুভৱাৰ্তা প্ৰচাৰ কৰো, সেই শুভবাৰ্তাৰ দ্বাৰাই তেওঁ
তোমালোকক শক্তিশালী কৰিব পাৰে। আৰু মই কোৱা এই
বাৰ্তা যীচু খ্ৰীষ্টৰ বিষয়ে। সেই বাৰ্তা অনেক কাল ধৰি গুপুতে
ৰখা হৈছিল; কিন্তু এতিয়া শুভবাৰ্তাৰ দ্বাৰাই তাক প্ৰকাশ
কৰা হৈছে। ২৬আৰু সেই সত্য আজি আমাক দেখুওৱা
হৈছে। অনন্তকলীয়া ঈশ্বৰৰ আজ্ঞা অনুসৰি, ভাৱবাদীসকলে
যি লিখিছিল তাক প্ৰকাশিত কৰা হৈছিল। আৰু এতিয়া খ্ৰীষ্টৰ
ওপৰত বিশ্বাস কৰাৰ দ্বাৰাই ঈশ্বৰৰ বাধ্য হবৰ বাবে সকলো
জাতিৰ লোকসমূহক জনোৱা হৈছে। ২৭যীচু খ্ৰীষ্টৰ দ্বাৰাই
একমাত্ৰ প্ৰজ্ঞাবান ঈশ্বৰৰ মহিমা সৰ্বদায় হওঁক। আমেন।

[a] **১৬:২৪** কোন কোন গ্ৰীক অনুলিপিত এইদৰে লিখা আছে ২৪: "আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ তোমালোকৰ সকলোৰে সৈতে থাকক।" আমেন।